Content includes AI-generated material

হৈয়েই আছিল কাৰিকৰী বিজুতি!



বিতং বাতৰি ৯ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, JUNE 13, 2025 ■ শুকুৰবাৰ, ২৯ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৬০ Guwahati, Assam || মূল্যঃ এটকা







জীৱন-মৰণৰ ব্যৱধান মাত্ৰ ৭মিনিট! আহমেদাবাদৰ শোকাৱহ বিমান দুৰ্ঘটনাৰ পিছৰ দৃশ্য এয়া, অন্তিম ফটোত জীৱন্তে উদ্ধাৰ হোৱা একমাত্ৰ যাত্ৰীগৰাকী

## নিহতৰ পৰিয়াললৈ 'টাটা'ৰ ১ কোটিকৈ ক্ষতিপূৰণ, নিৰ্মাণ কৰি দিব হোষ্টেলো

# ব্লেক ডে! মিনিটতে ২৪১ যাত্ৰীৰ জীৱন শেষ

## মিৰাকল ছীট-১১ এ!




■ হাস্পাতালত আত্মীয়ৰ ভিৰ, প্ৰধানমন্ত্ৰী মোডীৰ গভীৰ শোক প্ৰকাশ

আহমেদাবাদ, ১২ জুনঃ অভিশপ্ত হৈ পৰিল ১২ জুনৰ এটা সুন্দৰ দুপৰীয়া! গুজৰাটৰ আহমেদাবাদত আজি সংঘটিত হোৱা ভাৰতৰ ইতিহাসৰ ৩ পৃষ্ঠাত



ভূপতিত হোৱা বিমানখনৰ ধ্বংসাৱশেষ

## ছীট ১১ এ! অবিশ্বাস্যভাৱেই বাচিল বিশ্বাস

### খোজেৰেই হাস্পতাললৈ

আহমেদাবাদ, ১২ জুনঃ ৰাখে হৰি মাৰে কোনে! বৃহস্পতিবাৰৰ বিভীষিকাময় দিনটোক আজীৱন দুঃসহ স্মৃতি কৰি ৫ নং পৃষ্ঠাত

## হেৰাই গ'ল প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানী

আহমেদাবাদ, ১২ জুনঃ বৃহস্পতিবাৰে বিয়লি গুজৰাটৰ আহমেদাবাদত সংঘটিত হোৱা এক মৰ্মান্তিক বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে ৪ পৃষ্ঠাত চাওক


### কলাক্ষেত্ৰত বিশেষ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান

## সোণাল মানসিংক শংকৰদেৱ বঁটা প্ৰদান



ই-সংবাদ, ১২ জুনঃ আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ প্ৰখ্যাত শিল্পী ২ পৃষ্ঠাত

## মৃত্যুৰ শীতল কোলাত উত্তৰ পূবৰ দুই কন্যা! অসমৰ দুই ছাত্ৰৰ প্ৰাণৰক্ষা

আহমেদাবাদ, ১২ জুনঃ আহমেদাবাদৰ দুখজনক বিমান দুৰ্ঘটনাত উত্তৰ ৩ নং পৃষ্ঠাত

## কামাখ্যাকো নেৰিলে! অপপ্ৰচাৰ কৰি লৈ ক্ষমা প্ৰাৰ্থনা ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ

ই-সংবাদ, ১২ জুনঃ আকৌ এবাৰ প্ৰমাণিত হ'ল অসম তথা উত্তৰ-পূবৰ প্ৰতি নেচনেল মিডিয়াৰ জ্ঞানৰ গভীৰতা। শেহতীয়াকৈ মেঘালয়ৰ পাহাৰত সংঘটিত ৪ পৃষ্ঠাত



## অগপত কাম নাই! লুৰীণজ্যোতিৰ কাষলৈ প্ৰফুল্ল মহন্তৰ পুত্ৰ

### ২৬ত বড়মপুৰত প্ৰতিদ্বন্দ্বিতা

ই-সংবাদ, ১২ জুনঃ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত পিতৃৰ সমষ্টি বড়মপুৰত নিৰ্বাচন খেলিবলৈ সাজু হৈছে প্ৰাক্তন মুখ্যমন্ত্ৰী ২ পৃষ্ঠাত



### পৰ্বতঝোৰাত পেট্ৰ'ল ঢালি বড়ো যুৱকৰ প্ৰতিবাদ

## আদানিক মাটি কদাপি নিদিয়াৰ হুংকাৰ প্ৰতিবাদকাৰীৰ

ই-সংবাদ, পৰ্বতঝোৰা, ১২ জুনঃ জাতি, মাটি, ভেটি ৰক্ষাৰ শ্ল'গান দি শাসনলৈ অহা বিজেপিৰ শাসনকালত থলগিৰিয়ে আজি ৰাজপথত হিয়া-ঢাকুৰি ৪ পৃষ্ঠাত



## ৰাজীৱ শদিয়াৰ মাটিত চকু দিয়া বণিয়াক গ্ৰেপ্তাৰ

### তিনিচুকীয়া আৰক্ষীৰ সাফল্য

ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১২ জুনঃ "ৰসাতলে গ'ল ঐ অসমীয়া...' বুলি ক'বলৈ ৰাজীৱ শদিয়া আমাৰ মাজত ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সোণাল মানসিঙক শংকৰদেৱ বঁটা প্ৰদান

ড০ সোণাল মানসিঙক অসম চৰকাৰৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা-২০২৩ প্ৰদান কৰা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত আন্তৰ্জাতিক খ্যাতিসম্পন্ন ভাৰত নাট্যম আৰু ওডিশী নৃত্যশিল্পী তথা গুৰু ড০ সোণাল মানসিঙক এই বঁটা প্ৰদান কৰা হয়। এখন প্ৰশস্তি পত্ৰ, নগদ ধন, ফুলাম গামোচা, শৰাই আদিৰে এই বঁটা প্ৰদান কৰা হয়। শ্ৰীশ্ৰী মাধৱদেৱৰ তিথিৰ দিনটোত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত দিয়া এই বঁটা আজি প্ৰদান কৰা হয়। নৃত্যশিল্পী ড০ সোণাল মানসিঙৰ অৱদান অতুলনীয়। ১৯৬২ চনত মুম্বাইত অৰণ্যেত্ৰমৰ পিছত নৃত্যজীৱনৰ আৰম্ভণি হৈছিল। ১৯৭৭ চনত নতুন দিল্লীত ভাৰতীয় শাস্ত্ৰীয় নৃত্য কেন্দ্ৰ প্ৰতিষ্ঠা কৰিছিল। বিগত কেইবাটাও দশক ধৰি তেওঁ বিশ্বজুৰি প্ৰদৰ্শনী আগবঢ়াই অসংখ্য সন্মান লাভ কৰিছে। ১৯৮৭ চনত সংগীত-নাটক অকাডেমি বঁটা, ১৯৯২ চনত পদ্মভূষণ আৰু ২০০৩ চনত পদ্মবিভূষণ লাভ কৰিছে। পদ্মবিভূষণ লাভ কৰি ভাৰতৰ দ্বিতীয়গৰাকী মহিলা নৃত্যশিল্পী। ড০ মানসিঙক ৰাষ্ট্ৰপতিয়ে তেওঁক ৰাজ্যসভালৈ মনোনীত কৰিছিল। তেওঁৰ কৰ্মত কেৱল শাস্ত্ৰীয় নৈপুণ্যেই নহয়, ভাৰতীয় আধ্যাত্মিক পৰম্পৰা আৰু সাহিত্যিক গভীৰতা একেলগে প্ৰতিফলিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সভাত ভাষণ প্ৰদান কৰি কয় যে আজিৰ পৱিত্ৰ মাধৱদেৱ তিথিত ভাৰতীয় সংস্কৃতিৰ এক জ্যোতিষ্মান ব্যক্তিত্ব ড০ সোণাল মানসিংক শ্ৰীমন্ত শঙ্কৰদেৱ বঁটা প্ৰদান কৰিবলৈ পাই আমি গৌৰৱান্বিত। তেওঁ কেৱল ভাৰতীয় শাস্ত্ৰীয় নৃত্যক বিশ্বমঞ্চলৈ লৈ যোৱাই নহয়, তেওঁৰ শিল্পীসত্তাই বহু প্ৰজন্মক অনুপ্ৰাণিত কৰিছে। তেওঁৰ জীৱন আৰু কৰ্মই ভাৰতৰ ঐতিহ্য আৰু আগন্তুক সময়ৰ মাজত এটা সংস্কৃতিৰ সেতু হিচাপে কাম কৰিছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্য চৰকাৰৰ বিভিন্ন সাংস্কৃতিক উদ্যোগৰ কথাও উল্লেখ কৰি কয় যে বৰপেটাৰ শংকৰদেৱ সত্ৰ, পাটবাউসী থানৰ পুনৰুজ্জীৱন আৰু বটদ্ৰৱা থানক সাংস্কৃতিক পৰ্যটন ক্ষেত্ৰ হিচাপে উন্নীত কৰাৰ বাবে ২০০ কোটি টকাৰ পৰিকল্পনা কৰা হৈছে। ডিচেম্বৰৰ পৰা আনুষ্ঠানিক ভাৱে আৰম্ভ হ'ব আৰু ৰাষ্ট্ৰীয়-আন্তৰ্জাতিক পৰ্যায়ত গুৰুত্ব দিয়া হ'ব। শ্ৰীমন্ত শংকৰদেৱৰ জীৱন-সাহিত্যক একাডেমিক পাঠ্যত অন্তৰ্ভুক্ত কৰাৰ বাবে তেজপুৰ বিশ্ববিদ্যালয়ত কাম কৰি থকা হৈছে বুলি কয় মুখ্যমন্ত্ৰীয়ে। ১৯৮৬ চনৰ পৰা অসম চৰকাৰে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰা আহিছে। শিল্প, সাহিত্য, সংস্কৃতি আৰু গণ-সংযোগ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা ব্যক্তিসকলক এই বঁটা প্ৰদান কৰা হয়। আৰম্ভণিৰ বছৰত এই বঁটা প্ৰতি বছৰে দিয়া হৈছিল যদিও ২০০৮ চনৰ নীতি পৰিবৰ্তনৰ পিছত এতিয়া প্ৰতি তিনি বছৰৰ মূৰকত এই বঁটা প্ৰদান কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অগপত কাম নাই! লুৰীণজ্যোতিৰ কাষলৈ

প্ৰফুল্ল মহন্তৰ তনয়। শীঘ্ৰে সক্ৰিয় ৰাজনীতিলৈ আহিব প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ তনয় শ্যামন্ত কাশ্যপ। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু অসম গণ পৰিষদৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰফুল্ল কুমাৰ মহন্তৰ পুত্ৰ শ্যামন্ত কাশ্যপে শীঘ্ৰে অসম জাতীয় পৰিষদত যোগদান কৰিব বুলি এটা সূত্ৰই প্ৰকাশ কৰিছে। দলটোত যোগদান কৰিয়েই বঢ়মপুৰ বিধানসভা সমষ্টিৰ পৰা ৰাজনৈতিক কেৰিয়াৰ আৰম্ভ কৰিবলৈ সাজু হৈছে শ্যামন্ত কাশ্যপ। ১৯৮৫ ৰ পৰা ২০২১ লৈ বঢ়মপুৰত সাতবাৰকৈ বিধায়ক নিৰ্বাচিত হৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী পদত দুবাৰকৈ অধিষ্ঠিত হৈছিল প্ৰফুল্ল কুমাৰ মহন্ত। বৰ্তমানেও অগপ দলে বিজেপিৰ সৈতে লগ লাগি অসমত চৰকাৰ চলাই আছে। এটা সূত্ৰই দাবী কৰা মতে, অসম জাতীয় পৰিষদত যোগদান কৰিয়েই ব্যাপক প্ৰচাৰ আৰম্ভ কৰিব। ইতিমধ্যে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীনজ্যোতি গগৈৰ সৈতে আলোচনাত মিলিত হৈছে। আনহাতে বহুদিনৰ ৰাজনৈতিক বিৰতিৰ অন্তত মহন্ত পৰিয়ালে ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ পৰাও সহায় বিচাৰিছে বুলি জানিব পৰা গৈছে। যদি কংগ্ৰেছ, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ মিত্ৰতা স্থাপন হয় তেন্তে ২০২৬ চনত বঢ়মপুৰ সমষ্টিত ৰাইজৰ দলেও শ্যামন্ত কাশ্যপক সমৰ্থন কৰিব বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে। ২০২৪ ৰ লোকসভা নিৰ্বাচনৰ ফলাফলৰ পিছতে প্ৰফুল্ল কুমাৰ মহন্তৰ ঘৰলৈ গৈছিল লুৰীনজ্যোতি গগৈ, ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন। সেই সময়তে শ্যামন্ত কাশ্যপে ৰাজনীতিত সক্ৰিয় হোৱাৰ চৰ্চা হৈছিল। পিতৃয়ে জন্ম দিয়া দল অসম গণ পৰিষদে পিতৃক ২০২১ চনৰ নিৰ্বাচনত টিকট নিদি বঢ়মপুৰ সমষ্টি বিজেপিক এৰি দিছিল। সেই সময়তে শ্যামন্ত কাশ্যপে নিৰ্দলীয় হিচাপে খেলিব বুলি চৰ্চা হৈছিল। কিন্তু নিৰ্বাচনত অৱতীৰ্ণ নহ'ল। এইবাৰ শ্যামন্তই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটো খাতাং বুলি দাবী কৰিছে সূত্ৰটোৱে। শেহতীয়াকৈ শ্যামন্ত বঢ়মপুৰ সমষ্টিত নানা সামাজিক আৰু ৰাজনৈতিক কাৰ্যত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। যাৰ ফলত ৰাজনীতিৰ প্ৰতি তেওঁৰ আন্তৰিকতা স্পষ্ট হৈ পৰিছে। তেওঁৰ এই সংপৃক্ততা বিশেষকৈ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈয়ে অসম কংগ্ৰেছৰ দায়িত্ব লোৱাৰ সময়তে অসমৰ ৰাজনীতিত সক্ৰিয় প্ৰফুল্ল কুমাৰ মহন্তৰ পুত্ৰ শ্যামন্তয়ো ৰাজনীতিত সক্ৰিয় হ'বলৈ সাজু হৈছে। ইয়াৰ উপৰি শ্যামন্তই শেহতীয়াকৈ সামাজিক মাধ্যমত এটা পোষ্ট দি অসম গণ পৰিষদৰ নেতৃত্বৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছিল। তেওঁ বৰ্তমান নেতৃত্বৰ অধীনত অসম গণ পৰিষদ কিমান সুৰক্ষিত বুলি কৈ অস্বস্তি আৰু বিমুখতা প্ৰকাশ কৰে। অগপ দল বৰ্তমানে আভ্যন্তৰীণ স্থবিৰতাৰ বাবে সমালোচনাৰ সন্মুখীন হৈ আহিছে। বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যক ৰাজ্যসভালৈ পুনৰ মনোনীত কৰাত নতুন প্ৰজন্মক সুযোগ নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। পুৰণি প্ৰজন্মৰ আধিপত্য আঁতৰাবলৈ দলে সদিচ্ছা নকৰাৰ অভিযোগৰ মাজতে দলটোৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰফুল্ল কুমাৰ মহন্তৰ পুত্ৰ অসম জাতীয় পৰিষদত যোগদান কৰিবলৈ সাজু হৈছে। এই পটভূমিত শ্যামন্ত কাশ্যপৰ সম্ভাব্য ৰাজনীতিত প্ৰৱেশৰ ব্যাপক চৰ্চা এটা উল্লেখনীয় বিষয় হৈ পৰিছে। যদি শ্যামন্তই অগপ দলৰ পৰিৱৰ্তে আন আঞ্চলিক দলত যোগদান কৰে তেন্তে অগপ দলৰ বাবে চৰম আঘাত হ'ব। লগতে বঢ়মপুৰত অহা বিধানসভা নিৰ্বাচনত শক্তিশালী প্ৰতিদ্বন্দ্বিতা দেখা যাব।

# মৈৰাবাৰীত জুন মাহৰ 'বাটৰ কবিতা' অনুষ্ঠান

**ই-সংবাদ, মৈৰাবাৰী, ১২ জুনঃ** ২০১৫ চনৰ ১০ জানুৱাৰীৰ পৰা প্ৰতি মাহৰ ১০ তাৰিখে বিশেষকৈ মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰু সময়ে সময়ে অন্যান্য স্থানতো নিয়মীয়াকৈ অনুষ্ঠিত হোৱা সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান 'বাটৰ কবিতা' ১০ জুনত প্ৰচণ্ড গৰমকো নেওচি বিয়লি ৫ বজাত মৈৰাবাৰী কলেজ ৰোডস্থিত 'খাইৰ প্ৰকাশন'ৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। জুন মাহৰ 'বাটৰ কবিতা' অনুষ্ঠানটোৰ সঞ্চালনা কৰে বিশিষ্ট কবি, লেখক মহম্মদ আফজালে আৰু উদ্দেশ্য ব্যাখ্যা কৰে বিশিষ্ট কবি, লেখক




খাইৰুল ইছলামে। অনুষ্ঠানত কবিতা আবৃত্তি কৰে স্কুলীয়া বিদ্যাৰ্থী নাহিদ আফ্ৰিন, ফাৰহিন জাহান আৰু আয়ানা ছনমে আৰু স্বৰচিত কবিতা পাঠ কৰে মহম্মদ ফাহিম, মহম্মদ আফজাল আৰু খাইৰুল ইছলামে। তৰুণ কবিৰ প্ৰতিভা বিকাশৰ উৎকৃষ্ট ক্ষেত্ৰ এই মাহেকীয়া কাব্যানুষ্ঠানটোত অংশগ্ৰহণ কৰিব বিচৰা আগ্ৰহী কবিসকলে অনুষ্ঠানটোৰ যুটীয়া সমন্বয়ক ক্ৰমে খাইৰুল ইছলামক ৮৪৮৬২-৮৯৪৫৪ আৰু মহম্মদ আফজালক ৯৫০৮১-৫৩৮০২ ত যোগাযোগ কৰিবলৈ উদ্যোক্তা 'খাইৰ প্ৰকাশ'নে আহ্বান জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ব্লেক ডে! মিনিটতে ২৪১ যাত্ৰীৰ...

অন্যতম ভয়াৱহ বিমান দুৰ্ঘটনাই শোকস্তব্ধ কৰি তুলিছে সমগ্ৰ বিশ্বক। এয়াৰ ইণ্ডিয়াৰ এখন এআই১৭১ যাত্ৰীবাহী বিমান আজি দুৰ্ঘটনাগ্ৰস্ত হোৱাত বিমানখনত থকা ২৪২ জন যাত্ৰী আৰু ক্ৰু মেম্বাৰৰ অধিক সংখ্যকৰে মৃত্যু ঘটে। আহমেদাবাদৰ চৰ্দাৰ বল্লভ ভাই পেটেল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ ২৬নং ৰানৱেৰ পৰা লণ্ডনৰ গেটৱিক অভিমুখে উৰা মৰাৰ মাত্ৰ পাঁচ মিনিটৰ পিছতে এক ভয়ংকৰ অগ্নিপিণ্ডলৈ পৰিণত হৈ পৰে বিমান। জানিব পৰা মতে, বয়িং ৭৮৭-৮ ড্ৰিমলাইনাৰ বিমানখনত সেই সময়ত আছিল ২৩২ জন যাত্ৰী আৰু ১০ জন ক্ৰু সদস্যকে ধৰি ২৪২ জন লোক। দিনৰ ১:৩৮ বজাত বিমানবন্দৰৰ পৰা উৰা মৰাৰ পিছত বিমানখন ৮২৫ ফুট উচ্চতাত উপনীত হোৱাৰ পিছতে হঠাৎ তললৈ নামিবলৈ আৰম্ভ কৰে। আৰু তাৰ পাছতে আহমেদাবাদৰ সমীপৱৰ্তী মেঘানীনগৰ অঞ্চলৰ এখন চিকিৎসা মহাবিদ্যালয়ৰ গাতে লাগি থকা চিকিৎসকৰ হোষ্টেলত খুন্দা মাৰি ভূপতিত হয় যাত্ৰীবাহী বিমানখন। এই দুৰ্ঘটনাত হোষ্টেলটোৰ আৱাসী ৫ জন চিকিৎসা বিজ্ঞানৰ ছাত্ৰও নিহত হয় আৰু আন ৪০ জন আহত হয়। এয়াৰ ইণ্ডিয়াই সদৰী কৰা মতে, বিমানখন উৰা মৰাৰ পাঁচ মিনিট পিছতে পাইলটৰ পৰা 'মেডে কল' লাভ কৰে যদিও তাৰ পিছতে যোগাযোগ বিচ্ছিন্ন হৈ পৰে। বিমানখনত থকা যাত্ৰীসকলৰ ভিতৰত আছিল ১৬৯ জন ভাৰতীয়, ৫৩ জন ব্ৰিটিছ, ১ জন কানাডিয়ান আৰু ৭ জন পৰ্তুগীজ নাগৰিক। জানিব পৰা মতে, এই বিমানখনেৰেই পত্নী-পুত্ৰক লগ কৰিবলৈ লণ্ডনলৈ উৰা মাৰিছিল গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপি নেতা বিজয় ৰূপানীয়েও। দুৰ্ঘটনাটোত তেওঁৰো মৃত্যু হোৱাৰ কথা নিশ্চিত কৰা হৈছে। ঘটনাৰ পিছত এয়াৰ ইণ্ডিয়াই জৰুৰীকালীন হেল্পলাইন নম্বৰ (১৮০০ ৫৬৯১ ৪৪৪) মুকলি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাক "অত্যন্ত হৃদয়বিদাৰক" বুলি অভিহিত কৰে। এক বিবৃতিত তেওঁ কয় যে আহমেদাবাদৰ এই দুৰ্ঘটনাটোৱে আমাক স্তম্ভিত আৰু দুখী কৰি তুলিছে। এয়া এক হৃদয়বিদাৰক ঘটনা যাক ভাষাৰে বুজাব নোৱাৰি। মই ভুক্তভোগীৰ সৈতে থিয় দিছো আৰু সংশ্লিষ্ট মন্ত্ৰালয় আৰু কৰ্তৃপক্ষৰ সৈতে যোগাযোগত আছো। অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে কয় যে তেওঁ ব্যক্তিগতভাৱে পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু উদ্ধাৰ আৰু চিকিৎসা সাহায্য শীঘ্ৰে প্ৰদানৰ নিৰ্দেশ দিছে। ইফালে এই দুৰ্ঘটনাৰ পিছতে দুৰ্যোগ সঁহাৰি বাহিনী, অগ্নিনিৰ্বাপক বাহিনী, এম্বুলেন্সৰ কমেও ২৪টা ইউনিট উপস্থিত হয়। উল্লেখ্য যে, এই ভয়াবহ বিমান দুৰ্ঘটনাৰ পৰা কথমপি প্ৰাণৰক্ষা পৰে এগৰাকী বৃটিছ নাগৰিকৰ। বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ঠিক পূৰ্বে সঠিক সময়ত বিমানখনৰ পৰা জঁপিয়াই প্ৰাণ ৰক্ষা কৰে ৰমেশ কুমাৰ বিশ্বাস নামৰ যাত্ৰীজনে। অৱশ্যে যাত্ৰীজন বৰ্তমান আঘাতপ্ৰাপ্ত অৱস্থাত চিকিৎসাধীন হৈ আছে। তদন্তকাৰীয়ে জনোৱা মতে, বিমানখনৰ গতি আছিল মাত্ৰ ১৭৪ নট বা ৩২২ কিলোমিটাৰ প্ৰতি ঘণ্টা, যিটো স্বাভাৱিকতকৈ বহু কম। অৱশ্যে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। অন্যহাতে, লণ্ডন গেটৱিক বিমানবন্দৰৰ পৰা জানিব পৰা মতে, আজি ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৬:২৫ বজাত বিমানখন অৱতৰণ কৰাৰ কথা আছিল। ব্ৰিটিছ প্ৰধানমন্ত্ৰী কেয়াৰ ষ্টাৰমাৰে গভীৰ শোক প্ৰকাশ কৰি কয়, "এই দুৰ্ঘটনা অত্যন্ত মৰ্মান্তিক। বিমানখনত বহু ব্ৰিটিছ নাগৰিক আছিল। মই পৰিস্থিতি নিৰীক্ষণ কৰি আছো।" টাটা গ্ৰুপৰ অধ্যক্ষ এন চন্দ্ৰশেখৰনে কয়, "এই দুৰ্ঘটনাত আমি গভীৰভাৱে দুখী। ক্ষতিগ্ৰস্ত লোকসকলক সকলো সাহায্য প্ৰদান কৰা হৈছে। আমি চৰকাৰ আৰু উদ্ধাৰকাৰী দলৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি আছো।" কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এক্সত পোষ্ট কৰি কয়, "আহমেদাবাদত সংঘটিত হোৱা কৰুণ বিমান দুৰ্ঘটনাত মই গভীৰভাৱে দুখী। ৰেপিড ডিজাষ্টাৰ ৰেচপন্স ফৰ্চক সেই স্থানলৈ প্ৰেৰণ কৰা হৈছে। পৰিস্থিতিৰ মূল্যায়নৰ বাবে গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, গৃহমন্ত্ৰী হৰ্ষ সাংঘী আৰু আহমেদাবাদ আৰক্ষী আয়ুক্তৰ সৈতে কথা পাতিছো।" ব্যক্তিগতভাৱে কাম-কাজ চোৱাচিতা কৰিবলৈ তেওঁ আহমেদাবাদলৈ ৰাওনা হৈছে। কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে এই ঘটনাত স্তম্ভিত হৈ ন্যায়িক তদন্তৰ দাবী জনাই এক্সত লিখিছে, "গুজৰাটৰ আহমেদাবাদত সংঘটিত হোৱা ভয়াৱহ এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাৰ কথা শুনি মই একেবাৰে স্তম্ভিত হৈছো। বিমানখনত কেইবাজনো যাত্ৰী আৰু ক্ৰু মেম্বাৰ আছিল। বিতং তদন্ত কৰা উচিত। ইয়াৰ তদন্ত উচ্চতম ন্যায়ালয়ৰ বৰ্তমানৰ বা অৱসৰপ্ৰাপ্ত ন্যায়াধীশে কৰিব লাগে আৰু বিফলতাসমূহ পৰীক্ষা কৰা উচিত।" কংগ্ৰেছৰ সাংসদ তথা বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়েও এক্সত পোষ্ট কৰি কয়, "আহমেদাবাদত এয়াৰ ইণ্ডিয়াৰ দুৰ্ঘটনাটো হৃদয়বিদাৰক। যাত্ৰী আৰু ক্ৰুৰ পৰিয়ালৰ সদস্যসকলে কিমান কষ্ট আৰু উদ্বেগৰ মাজেৰে পাৰ হৈ আহিছে সেয়া কল্পনা কৰাটো কঠিন। এই অবিশ্বাস্যভাৱে কঠিন সময়ত মোৰ সহানুভূতি তেওঁলোকৰ প্ৰত্যেকৰে লগত আছে। প্ৰশাসনৰ পৰা জৰুৰী উদ্ধাৰ আৰু সাহায্যৰ প্ৰচেষ্টাৰ প্ৰয়োজন।" আন্তঃৰাষ্ট্ৰীয় নেতাসকলেও এই ঘটনাক লৈ শোক প্ৰকাশ কৰিছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে এই দুৰ্ঘটনাক লৈ প্ৰকাশ কৰে। ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱং আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনেও এই কৰুণ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰে। আনহাতে টাটাই নিহতৰ পৰিয়াললৈ ১ কোটি টকাকৈ ক্ষতিপূৰণৰ কথা ঘোষণা কৰিছে। উল্লেখ্য যে, আজি দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ১ মে'ত প্ৰযুক্তিগত ক্ৰুটিৰ বাবে উৰণ বাতিল কৰিবলগীয়া হৈছিল। সেইদিনা যাত্ৰীসকলক বিমানখনৰ ভিতৰত দুঘণ্টাতকৈ বেছি সময় এয়াৰ কণ্ডিচন নোহোৱাকৈ বহাই ৰখা হৈছিল। তাৰপিছত ফ্লাইটখনৰ যাত্ৰা পুনৰ বাতিল কৰা হয়। আজিও বিমানখন উৰণৰ কিছুসময় পিছতেই দুৰ্ঘটনাগ্ৰস্ত হয়। ২০১৪ চনত নিৰ্মিত এই বিমানখনৰ ভয়ংকৰ দুৰ্ঘটনাৰ কাৰণ জানিবলৈ 'ব্লেক বক্স' বা ফ্লাইট ৰেকৰ্ডাৰৰ উদ্ধাৰত গুৰুত্ব দিয়া হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৃত্যুৰ শীতল কোলাত উত্তৰ পূবৰ...

-পূৰ্বাঞ্চলৰ দুগৰাকী কন্যা মৃত্যুৰ শীতল কোলাত শুই পৰে। মণিপুৰৰ নাম্থে শৰ্মা কংৱেইলাতপাম আৰু লামনুথেম ছিংচন ভয়ানক দুৰ্ঘটনাত মৃত্যুৰ শীতল কোলাত শুই পৰে। দুয়োগৰাকী কেবিন ক্ৰু সদস্য আছিল। যাত্ৰী তথা সংগী ক্ৰুৰ সৈতে আহমেদাবাদৰ পৰা উৰণ আৰম্ভ কৰিছিল নাম্থে শৰ্মা কংৱাইলাতপাম আৰু লামনুথেম ছিংচনে। পৰিয়ালে এই খবৰ লাভ কৰি শোকত ভাগি পৰিছে। নাম্থে শৰ্মা কংৱাইলাতপাম আৰু লামনুথেম ছিংচনৰ উপৰি কেবিন ক্ৰু দলত আছিল শ্ৰদ্ধা ধাৱন, অপৰ্ণা মাহাডিক, চাইনিতা চক্ৰৱৰ্তী, দীপক পাঠক, মৈথিলী পাটিল, ইৰফান শ্বেইখ, ৰোশনী সংঘাৰে ৰাজেন্দ্ৰ আৰু মনীষা থাপা। আনহাতে অসমৰ দুই সন্তানৰ কথমপি প্ৰাণ ৰক্ষা পৰিছে। বিমানখনে যিটো অট্টালিকাত খুন্দা মাৰিছিল সেয়া আছিল এটা হোষ্টেল। আহমেদাবাদ মেডিকেল কলেজৰ হোষ্টেলটোত যথেষ্টসংখ্যক শিক্ষাৰ্থী উপস্থিত আছিল। এই অট্টালিকাটোত সেই সময়ত আছিল অসমৰ দুগৰাকী মেডিকেলৰ ছাত্ৰ। এই ঘটনাত ডাঃ ৰুক্মিণী বৰুৱা আৰু ডাঃ বিদ্যুৎ বিকাশ গগৈৰ প্ৰাণ ৰক্ষা পৰে। অসমৰ দুয়ো ছাত্ৰ আঘাতপ্ৰাপ্ত হোৱা নাই। সেই সময়ত উক্ত অট্টালিকাটোতে আছিল অসমৰ ৰুক্মিণী আৰু বিদ্যুৎ বিকাশ গগৈ। ডাঃ গগৈয়ে অগ্নিকুণ্ডৰ মাজেৰে দৌৰি প্ৰায় ৮ ফুট ওখ দেৱাল পাৰ হৈ আত্মৰক্ষা কৰিছিল। বিদ্যুৎ বিকাশ গগৈ সম্প্ৰতি হাস্পতালত চিকিৎসাধীন। চকুৰ আগতে বিমানখনে অট্টালিকাটোত খুন্দা মৰা দেখিছিল দুই ছাত্ৰই। উক্ত বিমানখন কেপ্টেইন সুমীত সবৰ্ত্তৱালৰ অধীনত আছিল। লাইনৰ প্ৰশিক্ষণ কেপ্টেইন আৰু যাৰ ৮,২০০ ঘণ্টাৰো অধিক উৰণৰ অভিজ্ঞতা আছে। তেওঁৰ সহায়ক আছিল ফাৰ্ষ্ট অফিচাৰ ক্লাইভ কুণ্ডাৰ। যিয়ে ১,১০০ ঘণ্টাৰ উৰণ অভিজ্ঞতা সংগ্ৰহ কৰিছে। ব'ইং ৭৮৭-৮ ড্ৰিমলাইনৰ বিমানখন চৰ্দাৰ বল্লভভাই পেটেল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা ১.৩৮ বজাত ২৪২ জন যাত্ৰী আৰু ক্ৰু সদস্য লৈ উৰা মৰাৰ পিছতে দুৰ্ঘটনাগ্ৰস্ত হয়। ইয়াৰে ভিতৰত ১৬৯ জন ভাৰতীয়, ৫৩ জন ব্ৰিটিছ, ১ জন কানাডিয়ান আৰু ৭ জন পৰ্তুগীজ নাগৰিক আছিল। প্ৰতিবেদন অনুসৰি, বিমানখন আহমেদাবাদ চিভিল হাস্পতালৰ কাষত অৱস্থিত বিজি মেডিকেল কলেজ হোষ্টেলৰ ওপৰত খহি পৰে। ঘটনাটো মধ্যাহ্ন ভোজনৰ সময়ত ঘটিছিল। তেতিয়া হোষ্টেলৰ মেছত বহু চিকিৎসক ছাত্ৰ উপস্থিত আছিল। দুৰ্ঘটনাৰ ধ্বংসাৱশেষ আৰু হোষ্টেলত হোৱা বিস্ফোৰণৰ দৃশ্য আৰু ভিডিঅ' সামাজিক মাধ্যমত ব্যাপকভাৱে ভাইৰেল হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হেৰাই গ'ল প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানী

গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা বিজয় ৰূপানীয়েও। এয়াৰ ইণ্ডিয়াৰ বিমান এআই১৭১ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত আন যাত্ৰীসকলৰ লগতে প্ৰাণ হেৰুৱায় ৰূপানীয়ে। উল্লেখ্য যে, আজি দিনৰ ১:৩৮ বজাত চৰ্দাৰ বল্লভভাই পেটেল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা লণ্ডনৰ গেটৱিক বিমানবন্দৰ অভিমুখে উৰা মৰা কিছু সময়ৰ পাছতে আহমেদাবাদৰ মেঘানী নগৰ আৱাসিক এলেকাত দুৰ্ঘটনাগ্ৰস্ত হয় বয়িং ৭৮৭-৮ ড্ৰিমলাইনাৰ বিমানখন। সেই সময়ত বিমানখনত আছিল ২৩০ জন যাত্ৰী আৰু ১২ জন ক্ৰু সদস্যকে ধৰি মুঠ ২৪২ জন ব্যক্তি। নিশ্চিত নোহোৱা সূত্ৰই জনোৱা মতে, ৰূপানী বিমানখনত ১২ নম্বৰ যাত্ৰী আছিল আৰু বিজনেছ ক্লাছ কেটেগৰীত জেড ক্লাছত বুকিং কৰিছিল। জানিব পৰা মতে, লণ্ডনত থকা পত্নী আৰু পুত্ৰক সাক্ষাতৰ বাবে এই যাত্ৰা কৰিছিল ৰূপানীয়ে। ইতিমধ্যে এই ভয়ংকৰ দুৰ্ঘটনাস্থলীৰ পৰা ২০৪টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। আহমেদাবাদ আৰক্ষী আয়ুক্তই নিশ্চিত কৰে যে বিমানখন ঘন জনবসতিপূৰ্ণ আৱাসিক আৰু কাৰ্যালয় এলেকাত দুৰ্ঘটনাগ্ৰস্ত হয়, যাৰ ফলত স্থানীয় বাসিন্দাসকলো আহত হোৱাৰ আশংকা কৰা হৈছে। বি জে মেডিকেল কলেজৰ চিকিৎসকৰ হোষ্টেল আৰু কেন্টিনত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱাত বহু চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। বিমানখনত থকা বৃহৎ পৰিমাণৰ ইন্ধনে জুই আৰু অধিক তীব্ৰতৰ কৰি তুলিছিল। ঘটনাৰ কিছু সময়ৰ পাছতে জৰুৰীকালীন সেৱা ক্ষিপ্ৰতাৰে ঘটনাস্থলীত উপস্থিত হয়। অগ্নিনিৰ্বাপক বাহিনীৰ ইঞ্জিন, এম্বুলেন্স আৰু আৰক্ষী দ্ৰুতগতিত উদ্ধাৰ অভিযানত নিয়োজিত হয়। গান্ধীনগৰ আৰু বদোদৰাৰ ছটা ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ দলৰ লগতে সীমান্ত নিৰাপত্তা বাহিনী (বি এছ এফ) আৰু চি আৰ পি এফৰ ৰেপিড একচন বাহিনীৰ লোকে উদ্ধাৰ অভিযান আৰম্ভ কৰে। আহতসকলে সোনকালে চিকিৎসালয়ত উপস্থিত হ'ব পৰাকৈ এটা গ্ৰীণ কৰিডৰ স্থাপন কৰা হয়। গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে উদ্ধাৰ আৰু সাহায্য অভিযান ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰাৰ লগতে তাৎক্ষণিক চিকিৎসা সেৱা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। দিল্লী আৰু আহমেদাবাদতো এটা অপাৰেচনেল কণ্ট্ৰল ৰুম সক্ৰিয় কৰা হৈছে। যদিও আহমেদাবাদ বিমানবন্দৰ সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছিল, সীমিত বিমান সেৱা এতিয়া পুনৰ আৰম্ভ হৈছে। বিমান দুৰ্ঘটনা অনুসন্ধান ব্যুৰোৰ সঞ্চালক প্ৰধান আৰু এটা বিশেষ তদন্তকাৰী দল আহমেদাবাদলৈ প্ৰেৰণ কৰি দুৰ্ঘটনাটোৰ কাৰণ তদন্ত কৰা হৈছে। খবৰ অনুসৰি বিমানখনে উৰণৰ কিছু সময়ৰ পিছতে 'মেডে' ফোন প্ৰেৰণ কৰিছিল, যিয়ে গুৰুতৰ সমস্যাৰ ইংগিত দিছিল। বিশেষজ্ঞসকলৰ প্ৰাৰম্ভিক বিশ্লেষণ অনুসৰি বিমানখনে মাত্ৰ ৬২৫ৰ পৰা ৮২৫ ফুট উচ্চতাত উপনীত হ'বলৈ সক্ষম হৈছিল আৰু দ্ৰুতগতিত নামিবলৈ আৰম্ভ কৰিছিল, যিয়ে ইঞ্জিনৰ পৰ্যাপ্ত ঠেলা বা লিফ্‌টৰ অভাৱৰ ইংগিত দিয়ে। পাইলট কেপ্তেইন সুমিত সভাৰৱাল আৰু প্ৰথম বিষয়া ক্লাইভ কুণ্ডাৰৰ মুঠ ৯৩০০ ঘণ্টাৰো অধিক উৰণ অভিজ্ঞতা আছিল। এইটোৱেই হৈছে বয়িং ৭৮৭ ড্ৰিমলাইনাৰৰ সৈতে জড়িত প্ৰথমটো বৃহৎ মাৰাত্মক দুৰ্ঘটনা। ঘটনা সন্দৰ্ভত ন্যায়িক তদন্তৰ দাবী জনাইছে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে। ব্লেক বক্স উদ্ধাৰ হোৱাৰ পিছতে এই দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ স্পষ্ট হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আদানিক মাটি কদাপি নিদিয়াৰ হুংকাৰ...

বাধ্য হৈছে। জনজাতীয় আৰেষ্টনীৰ ভূমি পুঁজিপতি আদানিক গতাই দিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰাত ৰাজ্যৰ চৌদিশে এতিয়া আদানি বিৰোধী প্ৰতিবাদে তীব্ৰ গতি লৈছে। ডিমা হাছাও, কাৰ্বি আংলং, কামৰূপৰ বৰদোৱাৰ বাগানৰ পিছতে কোকৰাঝাৰৰ পৰ্বতঝোৰাৰ বাসবাৰীত ৩৬০০ বিঘা ভূমি আদানিক গতাবলৈ সিদ্ধান্ত লোৱাত নিতৌ প্ৰতিবাদ অব্যাহত আছে। আজিও কেইবাশ লোকে প্ৰতিবাদ সাব্যস্ত কৰি থকাৰ সময়তে এজন জনজাতীয় যুৱকে গাত পেট্ৰ'ল ঢালি লৈছিল। কিন্তু কোনো অঘটন সংঘটিত হোৱাৰ পৰা ৰক্ষা পৰে। বিটিআৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত বাসবাৰী মোৱামাৰী বড়ো অধ্যুষিত অঞ্চলত ৩৬০০ বিঘা মাটিত তাপ-বিদ্যুৎ প্ৰকল্পৰ বাবে আদানি গ্ৰুপক হস্তান্তৰ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ ইউপিপিএল নেতৃত্বাধীন বিটিআৰ চৰকাৰৰ সেউজ সংকেটত তাপ-বিদ্যুৎ প্ৰকল্প স্থাপনৰ সিদ্ধান্ত লোৱাৰ বিৰুদ্ধে আজিও বড়ো অধ্যুষিত অঞ্চলটোৰ শ শ পুৰুষ-মহিলাই সমৱেত হৈ পুনৰ পৰা তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে অসম তথা বিটিআৰৰ চৰকাৰখনে পৰ্বতঝোৰাৰ বাসবাৰী অঞ্চলৰ মোৱামাৰীকে ধৰি অঞ্চলটোৰ বহু ভূমি আদানি গ্ৰুপক হস্তান্তৰ কৰাৰ পৰিকল্পনাৰ বাতৰি অঞ্চলটোৰ ৰাইজে যোৱা তিনিমাহ পূৰ্বে লাভ কৰাৰ পিছৰে পৰাই অঞ্চলটোত এক প্ৰতিবাদমুখৰ পৰিবেশ বিৰাজ কৰি আহিছে। এই প্ৰতিবাদমুখৰ পৰিবেশৰ মাজতেই আজি অঞ্চলটোত পৰিকল্পনা কৰা তাপ-বিদ্যুৎ প্ৰকল্পৰ বাবে প্ৰস্তাৱিত বৃহৎ পৰিমাণৰ মাটিৰ সীমা নিৰ্ধাৰণৰ বাবে জিলা প্ৰশাসন, মহকুমা প্ৰশাসন, ৰাজহ চক্ৰ বিষয়া, লাটমণ্ডলকে আদি কৰি আৰক্ষী বিষয়াৰ লগতে অসম আৰক্ষীৰ সঁজাতী দল আজি উক্ত স্থানত উপস্থিত হোৱাৰ লগে লগে অঞ্চলটোৰ শ শ বড়ো পুৰুষ-মহিলা উপস্থিত হৈ তীব্ৰ প্ৰতিবাদ সাৰস্ত কৰে। যোৱা তিনিমাহ ধৰি অঞ্চলটোত বসবাস কৰা তথা খেতি-বাতি কৰা বড়ো জনজাতীয় লোকসকলে তেওঁলোকৰ মাটি-ভেটি হেৰুৱাৰ ভয়ত তীব্ৰ প্ৰতিবাদ কৰি আহিছে। কিন্তু আজি অঞ্চলটোৰ ভুক্তভোগী শ শ ৰাইজে বৃহৎ পৰিমাণৰ ভূমি আদানি গ্ৰুপক আবণ্টন দিয়াৰ বাবে মাটিৰ সীমা নিৰ্ধাৰণ কৰাৰ বাবে অহা প্ৰশাসনীত তথা বিভাগীয় দলটোৰ উপস্থিতিৰ তীব্ৰ বিৰোধিতা কৰে। তেনে সময়তে একাংশ বড়ো যুৱকে গাত পেট্ৰ'ল ঢালি লয়। কিন্তু অগ্নিসংযোগ কৰাৰ পূৰ্বেই পৰিস্থিতি নিয়ন্ত্ৰণ হয়। পিছত প্ৰতিবাদী ৰাইজৰ উগ্ৰমূৰ্তি দেখি অঞ্চলটোত মাটি নিৰ্ধাৰণ কৰিবৰ বাবে অহা চৰকাৰী পক্ষৰ দলটো থমকি ৰ'বলগীয়া হয়। ইপিনে প্ৰতিবাদী লোকসকলে মত পোষণ কৰি কয় যে অঞ্চলটোত যুগ যুগ ধৰি বসবাস কৰি অহা বড়ো জনজাতীয় লোকসকলৰ ভূমিৰ অধিকাৰ প্ৰমোদ বড়ো চৰকাৰে কাঢ়ি ল'ব বিচাৰিছে। আনকি শ শ প্ৰতিবাদী পুৰুষ-মহিলাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয় যে বিটিআৰৰ ট্ৰাইবেল বেল্টৰ মাটি আদানিৰ দৰে বণিয়া গোষ্ঠীক কেনেকৈ হস্তান্তৰ কৰিব পাৰে বুলি প্ৰশ্ন কৰে। প্ৰতিবাদী ৰাইজে কেইবা ঘণ্টা ধৰি উত্তাল প্ৰতিবাদ কৰি কয় যে কোনো পৰিস্থিতিতেই এই অঞ্চলত বসবাস কৰি থকা জনজাতীয় বেল্টৰ মাটি বাহিৰৰ বণিয়া গোষ্ঠীক গতাই দিয়া নহ'ব বুলি হুংকাৰ দিয়ে। মন কৰিবলগীয়া যে বাসবাৰী অঞ্চলত প্ৰস্তাৱিত তাপ-বিদ্যুৎ প্ৰকল্প স্থাপনৰ বাবে আদানি গ্ৰুপৰ স্বত্বাধিকাৰী জিৎ আদানিয়ে প্ৰথমবাৰৰ বাবে এই বছৰৰ ২৩ এপ্ৰিলত ক্ষেত্ৰ পৰিদৰ্শন কৰিছিল। আদানি গ্ৰুপৰ স্বত্বাধিকাৰী জিৎ আদানিয়ে উক্ত অঞ্চলত এই বৃহৎ প্ৰকল্প স্থাপনৰ বাবে উক্ত অঞ্চল পৰিদৰ্শনৰ পিছৰ পৰাই উক্ত অঞ্চলত বসবাস কৰা বড়ো জনজাতীয় লোকসকলে নিজৰ অধীনত থকা ভূমি বেলেগৰ হাতলৈ গুচি যোৱাৰ আশংকাত ভুগি আছে। আনকি বিভিন্ন ৰাজনৈতিক আৰু অৰাজনৈতিক দল-সংগঠনে আশংকাত ভোগা ভুক্তভোগী ৰাইজৰ সমৰ্থনত তিনিমাহ ধৰি প্ৰতিবাদ কৰি অহা পৰিলক্ষিত হৈছে। উল্লেখ্য যে ডিমা হাছাও জিলাৰ উমৰাংছ'ৰ জনজাতীয় লোকৰ ৯ হাজাৰ বিঘা মাটি চিমেণ্ট উদ্যোগক গতাই দিব খোজা ৰাজ্য চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ অব্যাহত আছে। কাৰ্বি আংলঙৰ কেইবা শ বিঘা ভূমিত সৌৰশক্তি প্ৰকল্প স্থাপনৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদ কৰি গৈছে। কামৰূপ গ্ৰাম্য জিলাৰ পলাশবাৰী সমষ্টিৰ এহাজাৰ বিঘা ভূমি বহিৰাগত পুঁজিপতিক গতোৱাৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ অব্যাহত ৰাখিছে জনজাতীয় ৰাইজে। পলাশবাৰী সমষ্টিৰ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ এলেকাৰ পলাশবাৰী ৰাজহ চক্ৰৰ বৰদুৱাৰ বাগান অঞ্চলৰ জনজাতীয় লোকৰ এহাজাৰ বিঘা মাটি পুঁজিপতিক গতাই দিব খোজা ষড়যন্ত্ৰৰ বিৰুদ্ধে ৰাইজে নিৰৱচ্ছিন্ন প্ৰতিবাদ কৰিবলৈ বাধ্য হৈছে। আনহাতে পৰ্বতঝোৰাৰ বাসবাৰী আৰু মোৱামাৰী অঞ্চলৰ ভূমি আদানিক গতাব খোজাত প্ৰতিবাদ অব্যাহত আছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কামাখ্যাকো নেৰিলে! নীলাচলক লৈ...

ৰাজা ৰঘুবংশীৰ হত্যাকাণ্ডই জোকাৰি গৈছে সমগ্ৰ দেশ। পত্নী সোণমে নিজেই টিকট কাটি মধুচন্দ্ৰিকা যাপনৰ বাবে মেঘালয়লৈ আহি প্ৰেমিক আৰু চুপাৰি কিলাৰৰ হতুৱাই হত্যা কৰিছিল ৰাজাক। এই হত্যাকাণ্ডৰ পিছতে মেঘালয় আৰু উত্তৰ-পূৰ্বাঞ্চলক লৈ অনেক কটু মন্তব্য কৰি আহিছে ভাৰতৰ 'তথাকথিত' মূল ভূখণ্ডই। আৰু তাৰ মাজতে অসমৰ প্ৰাণস্বৰূপ শক্তিপীঠ মা কামাখ্যা ধামক লৈ নিকৃষ্ট জ্ঞানৰ প্ৰমাণ দি আপত্তিজনক মন্তব্য কৰে এটা বহুল প্ৰচলিত ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ এগৰাকী খ্যাতিসম্পন্ন মহিলা এংকৰে। চিএনএন নিউজ ১৮ চেনেলৰ এংকৰগৰাকীয়ে ৰাজা ৰঘুবংশীৰ হত্যাৰ প্ৰসংগত ষ্টুডিঅ'ৰ মঞ্চত ৰাজাৰ ভগ্নীক বহুৱাই দাবী কৰে যে মা কামাখ্যা ধামত নৰবলি চলে। শক্তিপীঠ কামাখ্যা ধামক লৈ ন্যূনতম জ্ঞানকণো নথকা এইগৰাকী তথাকথিত এংকৰৰ মন্তব্যৰ পিছতে ৰাজ্যজুৰি সৃষ্টি হয় তীব্ৰ প্ৰতিক্ৰিয়াৰ। বিভিন্ন ব্যক্তি আৰু সংস্থাই সংবাদ সংস্থাটোৰ এনে ভুৱা দাবীক লৈ সৰৱ হৈ পৰাও দেখা যায়। তাৰ পিছতে নিজৰ এই মাৰাত্মক ভুলৰ বাবে ক্ষমা বিচাৰে সংবাদ সংস্থাটোৱে। চেনেলটোৱে ইয়াক 'সম্পূৰ্ণ ভুল বিচাৰ' বুলি অভিহিত কৰি কয় যে তেওঁলোকৰ কোনো কু-অভিপ্ৰায় নাই। চিএনএন নিউজ ১৮-এ এক্স প্লেটফৰ্মত ক্ষমা পোষ্ট কৰি লিখে, "কালি সম্প্ৰচাৰিত এক অনুষ্ঠানত ৰাজা ৰঘুবংশী হত্যাকাণ্ডৰ প্ৰেক্ষাপটত চিএনএন নিউজ ১৮ ৰ এংকৰে অসমৰ পবিত্ৰ কামাখ্যা মন্দিৰত 'নৰবলি'ৰ কথা ভুলকৈ উল্লেখ কৰিছিল। এয়া সম্পূৰ্ণ ভুল বিচাৰ আছিল। আমাৰ কোনো কু-অভিপ্ৰায় নাছিল। যিসকলৰ ধৰ্মীয় মনোভাৱত আঘাত হানিছে, তেওঁলোকৰ ওচৰত আমি গভীৰভাৱে ক্ষমা বিচাৰিছো।" চেনেলটোৱে লগতে কয় যে তেওঁলোকে সকলো প্লেটফৰ্মৰ পৰা এই মন্তব্যৰ ক্লিপ ডিলিট কৰিছে। উল্লেখ্য যে অন এয়াৰ অনুষ্ঠানৰ সময়ত ৰাজা ৰঘুবংশীৰ ভগ্নী সৃষ্টি ৰঘুবংশীৰ সৈতে কথা পাতি থকা অৱস্থাত এই বিতৰ্কিত মন্তব্য কৰে এংকৰ আকাংক্ষা স্বৰূপে। সৃষ্টি ৰঘুবংশীয়ে দাবী কৰে যে এয়া নৰবলিৰ ক্ষেত্ৰ হ'ব পাৰে, কিয়নো মধুচন্দ্ৰিকাৰ বাবে মেঘালয়লৈ যোৱাৰ পূৰ্বে দম্পতীটোৱে গুৱাহাটীৰ কামাখ্যা মন্দিৰ পৰিদৰ্শন কৰিছিল আৰু তাৰ পিছতে তিনি সহযোগীৰ সৈতে মিলি স্বামীক হত্যা কৰিছিল সোণমে। এংকৰ আকাংক্ষা স্বৰূপে কয়, "কোৱা হৈছে যে এইটো নৰবলিৰ ঘটনা হ'ব পাৰে। আমি ৰাজা ৰঘুবংশীৰ ভাতৃৰ লগত কথা পাতিছো, যিয়ে কৈছিল যে ইয়াক নৰবলি বুলি ক'ব পাৰি কাৰণ তেওঁক পিছফালৰ পৰা ছুৰীৰে আঘাত কৰা হৈছিল আৰু লগতে তেওঁৰ ডিঙিত মালাও আছিল। যিহেতু তেওঁলোকে কামাখ্যা ভ্ৰমণ কৰিছিল, য'ত নৰবলি বা বলি দিয়া হয়।" তাৰ পিছত এংকৰজনে প্ৰশ্ন কৰে, "তেন্তে এইবোৰ কথাই সন্দেহৰ সৃষ্টি কৰেনে যে এইটো তান্ত্ৰিক হত্যা হ'ব পাৰে?" এই প্ৰৰোচনামূলক প্ৰশ্নৰ উত্তৰত ৰাজাৰ ভগ্নীয়ে প্ৰত্যক্ষভাৱে একো ক'ব নোৱাৰিলেও কামাখ্যাত নৰবলিৰ প্ৰথা আছে বুলি তেৰোঁ দাবী কৰে। কামাখ্যাক লৈ এনেদৰেই সম্পূৰ্ণ জ্ঞানহীন অপপ্ৰচাৰ চলোৱা পৰিলক্ষিত হয় এটা ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ এংকৰে। যাক লৈ এতিয়া ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছীট ১১ এ! অবিশ্বাস্যভাৱেই বাচিল বিশ্বাস

ভয়ংকৰ বিমান দুৰ্ঘটনাৰ পৰা প্ৰাণ ৰক্ষা পৰিল এজন বিমান যাত্ৰীৰ। আজি গুজৰাটৰ আহমেদাবাদত সংঘটিত দেশৰ ইতিহাসৰ আটাইতকৈ ভয়ানক বিমান দুৰ্ঘটনাটোত একমাত্ৰ জীৱিত ব্যক্তি হিচাপে প্ৰাণ ৰক্ষা পৰে ব্ৰিটিছ নাগৰিক বিশ্বাস কুমাৰ ৰমেশৰ। উল্লেখ্য যে আজি বিয়লি সংঘটিত হোৱা এয়াৰ ইণ্ডিয়া ফ্লাইট এআই-১৭১ ৰ কৰুণ বিমান দুৰ্ঘটনাত মৃত্যু ঘটে গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰো। লণ্ডন অভিমুখী বিমান এ আই-১৭১ আহমেদাবাদৰ পৰা উৰণৰ কিছু সময়ৰ পিছতে দুৰ্ঘটনাগ্ৰস্ত হৈ ভাগি পৰে এখন চিকিৎসা মহাবিদ্যালয়ৰ আৱাসিক হোষ্টেলত। দুৰ্ঘটনাটোৰ সময়ত বিমানখনত আছিল ক্ৰু মেম্বাৰসহ ২৪২ জন লোক। আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ৰ আছাৰৱাৰ্ড জেনেৰেল ৱাৰ্ডত বৰ্তমান চিকিৎসাধীন হৈ থকা ৪০ বছৰীয়া ব্ৰিটিছ নাগৰিক বিশ্বাস কুমাৰ ৰমেশে দাবী কৰে যে বিমান দুৰ্ঘটনাত তেৱেঁই একমাত্ৰ জীৱিত ব্যক্তি। বিভীষিকাৰ বৰ্ণনা কৰি তেওঁ কয়, "টেক অফৰ ত্ৰিশ ছেকেণ্ডৰ ভিতৰতে এটা ডাঙৰ শব্দ হৈছিল আৰু তাৰ পিছতে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হৈছিল। এই সকলোবোৰ ইমান দ্ৰুতগতিত হৈছিল যে মুহূৰ্ততে সকলো শেষ হৈ গ'ল।" বিশ্বাস কুমাৰ ৰমেশে এই দুৰ্ঘটনাত বুকু, চকু আৰু ভৰিত আঘাত পাইছে। ভাৰতত পৰিয়ালক সাক্ষাৎ কৰিবলৈ অহা বিশ্বাসে ভাতৃ অজয় কুমাৰ ৰমেশ (৪৫)ৰ সৈতে ব্ৰিটেইনলৈ উভতি যোৱাৰ সময়তে সংঘটিত হয় এই মৰ্মান্তিক দুৰ্ঘটনা। ভয়ংকৰ মুহূৰ্তটোৰ বৰ্ণনা কৰি ব'ৰ্ডিং পাছ এতিয়াও অক্ষত অৱস্থাত থকা বিশ্বাসে কয়, "উঠাৰ সময়ত চাৰিওফালে কেৱল মৃতদেহহে দেখা পাইছিলোঁ। ভয় খাইছিলোঁ। উঠি দৌৰিবলৈ ধৰিলোঁ। বিমানখনৰ টুকুৰাবোৰ ইফালে সিফালে সিঁচৰতি হৈ আছিল। কোনোৱে মোক তুলি লৈ এম্বুলেন্সত ভৰাই চিকিৎসালয়লৈ লৈ গ'ল।" বিমানখনৰ বেলেগ শাৰীত বহি আছিল তেওঁৰ ভায়েক অজয়। দুৰ্ঘটনাত তেওঁৰ ভাতৃৰো মৃত্যুৰ আশংকা কৰা হৈছে। চিকিৎসালয়খনৰ আন এটা অংশত এয়াৰ ইণ্ডিয়াৰ বিমানখনৰ আন যাত্ৰীসকলৰ পৰিয়াল আৰু বন্ধু-বান্ধৱীয়েও নিজৰ আপোনজনক বিচাৰিছে। ইয়াৰ ভিতৰত এই বিমানত থকা প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ পৰিয়ালৰ সদস্যও আছে। প্ৰাক্তন মুখ্যমন্ত্ৰীজনক বিচাৰি হাস্পতালত উপস্থিত হৈছে ৰূপানীৰ প্ৰাক্তন সহায়ক শৈলেশ মণ্ডলিয়া। এয়াৰ ইণ্ডিয়াই জনোৱা মতে, বিমানখনত থকা ২৩০ জন যাত্ৰীৰ ভিতৰত ১৬৯ জন ভাৰতীয়, ৫৩ জন ব্ৰিটিছ, ৭ জন পৰ্তুগীজ আৰু এজন কানাডিয়ান নাগৰিক। ইফালে, এই ভয়াৱহ দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বিজেপি নেতা সুব্ৰমণিয়াম স্বামীয়ে। তেওঁ কয়, "১৯৫০ ৰ দশকত এখন ৰে'ল লাইনচ্যুত হোৱাৰ সময়ত লাল বাহাদুৰ শাস্ত্ৰীয়ে পদত্যাগ কৰিছিল। একেই নৈতিক ভিত্তিতে মই প্ৰধানমন্ত্ৰী মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসামৰিক বিমান পৰিবহণ মন্ত্ৰী নাইডুৰ পদত্যাগৰ দাবী জনাইছোঁ, যাতে মুক্ত আৰু নিৰপেক্ষ তদন্ত হ'ব পাৰে। মোদী আৰু তেওঁৰ সহযোগীসকলে এতিয়ালৈকে যি কৰিছে সেয়া মাথোঁ এটা প্ৰৱঞ্চনা যিটো বন্ধ হ'ব লাগে।" এই মন্তব্যই সমগ্ৰ দেশতে ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি কৰিছে।

# কাকপথাৰত কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সম্বৰ্ধনা অনুষ্ঠান

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১২ জুনঃ** অসমৰ ভূমিপুত্ৰ জনগোষ্ঠীয় সংগঠনসমূহৰ অন্যতম সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিয়ে আজি কাকপথাৰ চেঙেলী মাজগাঁও নামঘৰৰ প্ৰাংগণত এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। সভাত সভাপতিত্ব কৰে অৱসৰী শিক্ষক তথা সমাজসেৱক গোপী কলিতাই। সভাত সদৌ অসম আলপাইন জনগোষ্ঠী সন্মিলন, অসমৰ কেন্দ্ৰীয় সভাপতি ধৰণী শইকীয়া, সহকাৰী সম্পাদক পংকজ ডেকা, সাংগঠনিক সম্পাদক সেউজ শইকীয়া, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, কাকপথাৰ শাখা সাহিত্য সভাৰ সভানেত্ৰী অল্পনা দলৈ ভুঞা, আপকুৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক দ্বীপেন লহকৰ, ৱাৰ্ড সদস্য তৰুণ কলিতাকে আদি কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নৱনিৰ্বাচিত সভাপতিকে ধৰি কেন্দ্ৰীয় প্ৰতিনিধি কেইগৰাকীকো সম্বৰ্ধনা জনোৱা হয়। নৱনিৰ্বাচিত সভাপতিগৰাকীয়ে সভাত কলিতাসকলক শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশসমূহত চৰকাৰে অৱহেলা কৰা বুলি উল্লেখ কৰি ইয়াৰ বিৰুদ্ধে আগন্তুক সময়ত বৌদ্ধিক আন্দোলনৰ কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব বুলি মত ব্যক্ত কৰে। কেন্দ্ৰীয় প্ৰতিনিধি সেউজ শইকীয়াই সাংগঠনিক দিশত কলিতাসকলক একত্ৰিত কৰাত ল'বলগীয়া ভূমিকা সম্পৰ্কত বক্তব্য প্ৰদান কৰে। সভাত শাখা সাহিত্য সভাৰ প্ৰতিনিধি দুগৰাকীয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। সভাত গাঁওখনৰ মহিলা সমাজ, যুৱ সমাজ, নামঘৰ পৰিচালনা সমিতিৰ লগতে ভালেসংখ্যক সচেতন ৰাইজে অংশগ্ৰহণ কৰে। সভাৰ আঁত ধৰে উদ্যোক্তা সংগঠনৰ দুই বিষয়ববীয়া পৰাগ শইকীয়া আৰু জিতুমনি শইকীয়াই। অনুষ্ঠানটোক লৈ স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজীৱ শদিয়াৰ মাটিত চকু দিয়া...

নাই। ভোগালীৰ উৰুকাৰ দিনাই অসমবাসীক কন্দুৱাই অসমৰ সাংস্কৃতিক ক্ষেত্ৰখন একপ্ৰকাৰ উকা কৰি যোৱা জাতি-মাটি-ভেটিৰ গান গোৱা তথা জনতাৰ শিল্পী ৰাজীৱ শদিয়াই মৃত্যুৰ পিছতো হয়তো শান্তিত থাকিব পৰা। কাৰণ যিটুকুৰা মাটিত গণশিল্পীগৰাকীয়ে নিজৰ সপোনৰ ঘৰখন বান্ধিবলৈ মন মেলিছিল সেই মাটিটুকুৰাতে শেনচকু পৰিছে একাংশ বহিৰাগতৰ তথা বণিয়াৰ। শিল্পীগৰাকীৰ পৰিয়ালটোৱে বসবাস কৰা মাটিটুকুৰাৰ নামতে ৫০ লক্ষাধিক টকাৰ ঋণ লৈ এটা চক্ৰই জালিয়াতি কৰাৰ কথা পোহৰলৈ অহাৰ পিছত একপ্ৰকাৰ সকলোৰে চকু কপালত উঠিছিল। ঘটনাক লৈ আলফা স্বাধীনেও বিবৃতিযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। প্ৰণিধানযোগ্য যে প্ৰয়াত গণশিল্পীগৰাকীৰ পৰিয়ালটোৱে বসবাস কৰা তিনিচুকীয়াৰ গেলাপুখুৰীস্থিত মাটিডোখৰৰ স্বত্বাধিকাৰী মনোজ চুতীয়াই উক্ত মাটিখিনি ৰাজীৱৰ পৰিয়ালটোক দান দিবলৈ মনস্থ কৰিছিল। কিন্তু ভূমিৰ দান কাৰ্য সম্পাদন নৌহওঁতেই এই কথা পোহৰলৈ আহিছে যে মাটিৰ গৰাকী মনোজ চুতীয়াৰ অজ্ঞাতেই দুজন ব্যক্তিয়ে মাটিটুকুৰাৰ নামত মনোজ চুতীয়াৰ নথি-পত্ৰ জালিয়াতি কৰি পঞ্জাব নেচনেল বেংকৰ পৰা ৫০ লাখ টকাৰ ঋণ লৈ ইতিমধ্যে পলায়ন কৰিছে। বেংক কৰ্তৃপক্ষই উক্ত মাটিখিনি দখল কৰিবলৈ আগবাঢ়ি অহাক লৈ প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ গুণমুগ্ধসকলৰ মন ব্যথিত তথা সেমেকাই তুলিছিল। ৰাজীৱশদিয়াৰ তিনিচুকীয়াৰ গেলাপুখুৰীস্থিত উক্ত ভূমি ষড়যন্ত্ৰৰে বনিয়া আনন্দ ৰাচিবাচিয়া আৰু পঞ্জাব নেচনেল বেংকৰ পৰিচালক অমিত ঝাই জালিয়াতি কৰাক লৈ আলফা স্বাধীনে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক পত্ৰত সংশ্লিষ্ট পক্ষক এনে ষড়যন্ত্ৰৰ পৰা আঁতৰি থাকিবলৈ সংগঠনটোৱে আহ্বান জনাইছিল। পত্ৰত আলফা স্বাধীনে সকীয়নি প্ৰদান কৰি পত্ৰখনত উল্লেখ কৰিছিল, "এই নিৰ্দেশনা অমান্য কৰি কোনো ব্যক্তি বিশেষ অথবা প্ৰতিষ্ঠানে উক্ত মাটিখিনি হস্তগত কৰিব বিচাৰিলে "সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)" সংগঠনে কঠোৰতকৈ কঠোৰতম ব্যৱস্থা ল'বলৈ বাধ্য হ'ব। ১২ জানুৱাৰী তথা ভোগালীৰ উৰুকাৰ দিনাই নিয়তিৰ নিষ্ঠুৰ পৰিহাসত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰা গণশিল্পী ৰাজীৱ শদিয়াই তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ 'ৰসবাৰী পৰ্যটন মেলা' ৰ সাংস্কৃতিক অনুষ্ঠানত দুটামান গীত পৰিৱেশন কৰাৰ পিছতে মঞ্চৰ পৰা হঠাৎ অসুস্থ হৈ ঢলি পৰাত ততাতৈয়াকৈ উদ্যোক্তা তথা সতীৰ্থসকলে শিল্পীগৰাকীক ডুমডুমাৰ সমীপৰ ৰূপাই চাইদিংস্থিত ডাঃ ডি. চি. বৰা নাৰ্ছিং হোমলৈ লৈ গৈছিল যদিও পিছত ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰে শিল্পীগৰাকীক। কিন্তু অসমবাসীৰ বাবে দুৰ্ভাগ্য যে ১৩ জানুৱাৰীৰ দিনৰ ভাগত শিল্পীগৰাকীয়ে প্ৰাণত্যাগ কৰে। অসম চিকিৎসা মহাবিদ্যালয়ত এদল জ্যেষ্ঠ চিকিৎসকে আপ্ৰাণ চেষ্টা কৰিও জীয়াই ৰাখিবলৈ সক্ষম নহ'ল জাতীয়তাবাদী গীত লিখি-গাই ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হোৱা শিল্পীগৰাকীক। ডিব্ৰুগড়তে জীৱন যাত্ৰাৰ সামৰণি পেলায় গণশিল্পী ৰাজীৱ শদিয়াই। উৰুকাৰ দিনাই নেদেখাজনে কাঢ়ি লৈ গ'ল জাতি-মাটিৰ গাণ গাই ভাল পোৱা শিল্পী ৰাজীৱ শদিয়াক। জনপ্ৰিয় কণ্ঠশিল্পী ৰাজীৱ শদিয়া যে আৰু নাই বিশ্বাস কৰিবলৈকে টান লগা এটা কথা। প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ ভূমি জালিয়তি কৰা প্ৰৱঞ্চক আনন্দ ৰাছিৱাচিয়া অৱশেষত আৰক্ষীৰ জালত পৰিল। ভূমি জালিয়তি কৰি ৫০ লাখ টকা লুটি পলাতক অৱস্থাত থকা তিনিচুকীয়াৰ এই প্ৰৱঞ্চকটোক অৱশেষত উত্তৰ প্ৰদেশৰ মিৰাটত বুধবাৰে গ্ৰেপ্তাৰ কৰে তিনিচুকীয়া আৰক্ষীৰ এটা দলে। তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ টি এছ আই ধ্ৰুৱ প্ৰকাশ বৈশ্যৰ নেতৃত্বত যোৱা এটা আৰক্ষীৰ দলে মিৰাটত অভিযান চলাই গ্ৰেপ্তাৰ কৰে পলাতক আনন্দ ৰাছিৱাচিয়াক। মিৰাটত এটা ভাৰাঘৰ লৈ আত্মগোপন কৰি আছিল প্ৰৱঞ্চক আনন্দ ৰাছিৱাচিয়াই। আনন্দক উত্তৰ প্ৰদেশ আৰক্ষীৰ সহযোগত তিনিচুকীয়া আৰক্ষীৰ এটা দলে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'য়।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাৰ স্নাতক চূড়ান্ত পৰীক্ষাত গড়গাঁও মহাবিদ্যালয়ৰ বিশেষ সাফল্য

**ই-সংবাদ, শিৱসাগৰ, ১২ জুনঃ** সদ্যঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত শিৱসাগৰ জিলাৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান গড়গাঁও মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষাৰ্থীয়ে সুখ্যাতিৰে প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়ৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। মহাবিদ্যালয়খনৰ ১২ গৰাকী শিক্ষাৰ্থীয়ে বিভিন্ন বিভাগৰ প্ৰথম দহটাৰ ভিতৰত স্থান লাভ কৰাৰ লগতে উদ্ভিদ বিজ্ঞান বিভাগ, ৰসায়ন বিজ্ঞান বিভাগ, ভূতত্ব বিভাগ, গণিত বিভাগ, প্ৰাণী বিজ্ঞান বিভাগ, পৰিসংখ্যা বিজ্ঞান বিভাগ আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ শতাধিক শিক্ষাৰ্থীয়ে প্ৰথম শ্ৰেণী লাভ কৰাৰবতৰাই মহাবিদ্যালয় পৰিয়ালক উৎফুল্ল কৰিছে। বিশেষকৈ ভূতত্ব বিভাগৰ কৌস্তভমণি ভূঞা আৰু গণিত বিভাগৰ প্ৰাণজিৎ গগৈয়ে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি মহাবিদ্যালয়খনলৈ সফলতাৰ গৌৰৱ কঢ়িয়াই আনিছে। তদুপৰি ভূতত্ব বিভাগৰ নৱাজিছ চাৰনে খান, অনুষ্কা দেৱী, বাস্তৱ বৰবৰুৱা, অৰ্পণা সোণোৱাল, পূজা গগৈ, কাশ্মীৰী কুঁৱলী চাবুকধৰা, তন্ময় বৰুৱা, বাস্তৱ ৰাজখোৱা আৰু কুকিল চাংমায়ে ক্ৰমে প্ৰথমশ্ৰেণীৰ দ্বিতীয়, তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ, সপ্তম, অষ্টম আৰু দশম স্থান আৰু পৰিসংখ্যা বিজ্ঞান বিভাগৰ মনদীপ গগৈয়ে প্ৰথম শ্ৰেণীৰ ষষ্ঠ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীৰ এনে সফলতাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তৰ লগতে মহাবিদ্যালয় পৰিয়াল উৎফুল্ল হৈ পৰিছে। অধ্যক্ষ ড° মহন্তই

এই সাফল্যৰ আঁৰৰ শিক্ষক, শিক্ষাৰ্থী, অভিভাৱক সকলোলৈকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে অনাগত দিনবোৰতো গড়গাঁও মহাবিদ্যালয়ৰ বিদ্যায়তনিক সফলতাৰ ধাৰা বৰ্তাই ৰাখিবলৈ নিশ্চিতভাৱে প্ৰয়াস কৰা হ'ব বুলি ব্যক্ত কৰে।

# ভূৰবন্ধাত মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ ছাত্ৰ সংহতি দিৱস পালন

**ই-সংবাদ, মৰিগাঁও, ১২ জুনঃ** ১৯৭৪ চনৰ খাদ্য আন্দোলনত ১০ জুনত দেশ আৰু জাতিৰ বাবে শ্বহীদ বৰণ কৰা মৰিগাঁও জিলাৰ ভূৰবন্ধাৰ দুই ফুলকুমলীয়া ছাত্ৰ ক্ৰমে গজেন ইংতি আৰু পুতুল শইকীয়াৰ স্মৃতিত আজি সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাই শ্বহীদদ্বয়ৰ জন্ম আৰু মৃত্যুভূমি জিলাখনৰ ভূৰবন্ধাত বিস্তৃত কাৰ্যসূচীৰে ছাত্ৰ সংহতি দিৱস পালন কৰে। ভূৰবন্ধা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত স্থানীয় ঔগুৰি মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই ছাত্ৰ সংহতি দিৱসত পুৱা ১০ বজাত আছুৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কাৰ্যসূচীৰ পিছতে এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰীৰ সভাপতিত্বে অনুষ্ঠিত এই সভাখনৰ আঁত ধৰে জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শিৱ দাসে। সভাখনত অংশগ্ৰহণ কৰি সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দিপুল কুমাৰ নাথ, সুদীপ্ত ভগৱতী, উপ-সভাপতি মজিবুৰ ৰহমান প্ৰমুখ্যে কেইবাগৰাকীও আছু নেতাই শ্বহীদ দুগৰাকীক সশ্ৰদ্ধ স্মৰণ কৰাৰ লগতে ৰাজ্যখনৰ শৈক্ষিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সমস্যাৰাজিৰ ওপৰত আলোকপাত কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভুৰবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰদীপ শৰ্মা, ঔগুৰি মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিতুমণি দাস, প্ৰাক্তন ছাত্ৰ নেতা যুগল কিশোৰ চৌধুৰী, অসম সেনাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অনুপম ভগৱতী আৰু জিলা আহ্বায়ক কুঞ্জ বৰাই শ্বহীদদ্বয়ক স্মৰণ কৰি বক্তব্য ৰাখে। উক্ত সভাতে শ্বহীদদ্বয়ৰ পৰিয়ালবৰ্গক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়।

# যোৰহাটৰ চেলেংহাটত আদিবাসী ছাত্ৰ সন্থাৰ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ

**ই-সংবাদ, মৰিয়নি, ১২ জুনঃ** চেলেং চাহ বাগিচাৰ অন্তৰ্গত এলেকাত চাহ শ্ৰমিকে ভোগ কৰি অহা বিভিন্ন সমস্যাৰ সমাধানৰ বাবে আজি চেলেং চাহ বাগিচাৰ মুখ্য কাৰ্যালয় সন্মুখত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ চেলেংহাট আঞ্চলিক সমিতিৰ উদ্যোগত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰা হয়। দুমাহৰ আগতে বাগিচাৰ পৰিচালকক স্মাৰক-পত্ৰ প্ৰদান কৰাৰ পিছতো চাহ শ্ৰমিকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ নকৰাৰ বাবেই আজি এই ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি সংগঠনটোৰ নেতৃত্বই জানিবলৈ দিয়ে। ছাত্ৰ সংগঠনটোৱে চেলেং চাহ বাগিচাৰ মুখ্য কাৰ্যালয় সন্মুখত শোষণ নীতি বন্ধ কৰক, বাগিচা কৰ্তৃপক্ষ মুৰ্দাবাদ, চাহ শ্ৰমিকৰ সমস্যা সমাধান কৰক আদি বিভিন্ন শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ধৰ্ণা কাৰ্যসূচী অন্তত আছাৰ চেলেংহাট আঞ্চলিক সমিতিৰ সভাপতি বিনুদ টুডু আৰু সম্পাদক ঘনশ্যাম ৰাজোৱাৰ স্বাক্ষৰিত এক স্মাৰক-পত্ৰ পৰিচালকৰ হাতত প্ৰদান কৰা হয়। স্মাৰক-পত্ৰত উল্লেখিত বাগিচাত দীৰ্ঘদিন ধৰি কাম কৰি থকা অস্থায়ী শ্ৰমিকসকলক




স্থায়ীকৰণ কৰা, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰা, কেঁচা আৰু পকীঘৰ নিৰ্মাণ আৰু মেৰামতি কৰা, বাগিচাৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীক উপযুক্ত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা, চেলেং চাহ বাগিচাত এজন জনকল্যাণ বিষয়াৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা, ছাত্ৰ-ছাত্ৰীৰ যাতায়াতৰ বাবে স্কুল বাছৰ ব্যৱস্থা কৰা, চিকিৎসালয়ত ৰোগী ৰখাৰ ব্যৱস্থা কৰা, অস্থায়ী শ্ৰমিকক চিকিৎসা প্ৰদান কৰাৰ ব্যৱস্থা কৰা, দীৰ্ঘদিন ধৰি বাগিচাত কাম কৰি থকা ছেমি কেজুৱেলী পি এফ কৰ্তন কৰা লগতে অস্থায়ী শ্ৰমিকক স্থায়ীকৰণ কৰাৰ ব্যৱস্থা কৰা আদি দহটাৰো অধিক দাবী পূৰণৰ পোষকতা কৰে। দাবীসমূহ শীঘ্ৰে পুৰন নহ'লে সৰ্বাত্মক গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে ছাত্ৰ সংগঠনটোৱে। তেনেক্ষেত্ৰত হ'ব পৰা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ বাবে বাগিচা কৰ্তৃপক্ষই জগৰীয়া হ'ব বুলি সকীয়াই দিয়ে ছাত্ৰ সংগঠনটোৱে।

# তিনিচুকীয়াত গৃহিনীৰ অনুষ্ঠানত পৰিণত হ'ল বিকশিত কৃষি সংকল্প অভিযানৰ সামৰণি অনুষ্ঠান

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১২ জুন :** তিনিচুকীয়া কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত যোৱা ২৯ মে'ৰ পৰা বিভিন্ন গাঁও পঞ্চায়তত অনুষ্ঠিত কৰা "বিকশিত কৃষি সংকল্প অভিযান" কাৰ্য্যসূচীৰ সামৰণি পৰে। আজিৰ সামৰণি অনুষ্ঠানটি বজালতলি আৰু গটং গাঁও পঞ্চায়তত অনুষ্ঠিত হয়। কৃষকসকলৰ মাজত নতুন কৃষি পদ্ধতি, চৰকাৰী আঁচনি, কৃষকৰ মতামত গ্ৰহণ আদি কাৰ্য্যসূচীৰে বজালতলি গাঁও পঞ্চায়তত আজি অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানটিত তথা কৃষকৰ বাবে অনুষ্ঠিত কৰা বিকশিত কৃষি সংকল্প অভিযানত এগৰাকীও পুৰুষ কৃষক উপস্থিত নথকাটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। মহিলাসকলে চৰকাৰৰ পৰা কিবা সুবিধা পাম বুলি আশা কৰি আজিৰ এই চৰকাৰী কাৰ্যসূচীত উপস্থিত থাকে বুলি কোনো কোনোৱে ক'ব খোজে। গৃহিনীসকলে জৈৱ পদাৰ্থ আৰু জৈৱিক সাৰৰ প্ৰয়োগ, শালি ধানৰ খেতিৰ বীমা, খেতিত সাৰ প্ৰয়োগ, উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ, উন্নত জাত, পোক-পতংগ, কৃষিত বেমাৰ ইত্যাদি বিষয়সমূহ জানিলে বা অৱগত হ'লে কৃষকৰ কিবা উপকাৰ হ'ব নেকি বুলিও প্ৰশ্ন উত্থাপিত হৈছে। তিনিচুকীয়াত চৰকাৰী আঁচনি এখন ৰূপায়ণ কৰিব লাগে



বাবেই কৃষি বিভাগে সম্পূৰ্ণ জোৰা-টাপলি মাৰি দায়িত্ব সামৰিছে বুলিও এইক্ষেত্ৰত অভিযোগ উত্থাপিত হৈছে। কৃষকৰ বহুমুখী স্বাৰ্থত চৰকাৰৰ এই সুন্দৰ আঁচনিখনৰ সম্পৰ্কে তিনিচুকীয়া জিলাত বিশেষ প্ৰচাৰ নহ'ল বুলিও বিশেষ চৰ্চা চলা পৰিলক্ষিত হৈছে। আজিৰ অনুষ্ঠানটি সঞ্চালনা কৰে কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° হেমচন্দ্ৰ শইকীয়াই। ড° সাৰদী বৰুৱাই আঁত ধৰা অনুষ্ঠানত কৃষি বিজ্ঞানী ড° পৰাগজ্যোতি শইকীয়া, ড° অপূৰ্ব হাজৰিকা, ড° সঞ্জয়িতা গোহাঁইকে প্ৰমুখ্যে কৰি মীন, পশুপালন আদি বিভাগৰ বিষয়াসকলো উপস্থিত থাকে। অনুষ্ঠানত পমো ড্ৰন ডি ডিৰ জৰিয়তে ঔষধ ছটিওৱাৰ কৌশলো প্ৰদৰ্শন কৰা হয়।

# যোৰহাটত লেখিকা সমাৰোহ সমিতিৰ পৰম হিতৈষী সদস্যাৰ সন্মিলন সম্পন্ন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১২ জুন : সদৌ** অসম লেখিকা সমাৰোহ সমিতি, যোৰহাট জিলা লেখিকা সমাৰোহ সমিতিয়ে যোৰহাট, দক্ষিণ চাৰিগাঁও শাখা লেখিকা সমাৰোহ সমিতিৰ সহযোগত পৰম হিতৈষী সদস্যাৰ সন্মিলন ১১ জুনত যোৰহাটৰ প্ৰীতম ভৱনত অনুষ্ঠিত কৰে। কবিতা ৰাজগুৰুৱে বন্তি প্ৰজ্বলন কৰা সন্মিলনত বিশিষ্ট অতিথিৰূপে ৰাজ্যিকৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈয়ে বক্তব্য আগবঢ়ায়। ৰাজ্যিকৰ প্ৰধান সম্পাদিকা মনোমতী কুৰ্মী, ৰমানন্দন বৰা, কাঞ্চন শইকীয়াই বক্তব্য আগবঢ়োৱা সভাখন পৰিচালনা কৰে জিলাৰ সভানেত্ৰী নীৰদা গগৈ বৰাই। জিলাৰ সম্পাদিকা গায়ত্ৰী গগৈয়ে আঁতধৰা অনুষ্ঠানত প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে সুৱৰ্ণ শইকীয়া বৰদলৈয়ে। যোৰহাট শাখাৰ সভানেত্ৰী দীপালী গগৈ বৰুৱাই আদৰণী ভাষণ আগবঢ়োৱা সভাখন শিল্পীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হয়। ভালেকেইগৰাকীয়ে বক্তব্য আগবঢ়োৱা সভাখনত ৩০ গৰাকীক স্বীকৃতি-পত্ৰ প্ৰদান কৰে।

# মৎস্য উৎপাদনেৰে আত্মনিৰ্ভৰশীল চেলেংহাটৰ প্ৰকাশজ্যোতি

**ই-সংবাদ, মৰিয়নি, ১২ জুনঃ** অসমৰ মাছৰ বজাৰখন নিতৌ বহিঃৰাজ্যৰ চালানী মাছে দখল কৰি আহিছে, কিয়নো ৰাজ্যৰ ভিতৰত থলুৱা মাছৰ উৎপাদন চাহিদাৰ তুলনাত যথেষ্ট কম। এনে পৰিস্থিতিত যোৰহাট জিলাৰ চেলেংহাট অঞ্চলৰ পিঠাখোৱা গাঁওৰ উদ্যমী যুৱক প্ৰকাশজ্যোতি গগৈয়ে নিজৰ পুখুৰীত মাছ পালন আৰম্ভ কৰি আত্মনিৰ্ভৰশীলতাৰ এক উজ্বল উদাহৰণ দাঙি ধৰিছে। ক্ষুদ্ৰ চাহ খেতিয়ক তথা যুৱ ব্যৱসায়ী গগৈয়ে চেলেং আমতলীয়া অঞ্চলৰ প্ৰায় ২ বিঘা মাটিত পুখুৰী নিৰ্মাণ কৰি বিভিন্ন থলুৱা জাতৰ মাছ উৎপাদনৰ প্ৰয়াস আৰম্ভ কৰিছে। স্থানীয় যুৱচামক মৎস্য উদ্যোগৰ বাবে আগ্ৰহী কৰি তোলাৰ লগতে, নিজেও আগবাঢ়ি হোৱাটোৱেই গগৈৰ মূল উদ্দেশ্য বুলি তেওঁ সংবাদ মাধ্যমত প্ৰকাশ কৰে। সেই উদ্দেশ্য আগত ৰাখিয়েই "মৎস্য উৎপাদনেৰে স্বাৱলম্বী হোৱাৰ লক্ষ্য" শীৰ্ষক এক কাৰ্যসূচী আজি চেলেং আমতলীয়া পুখুৰীৰ পাৰত আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত মৰিয়নি বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে পুখুৰীত পোনা মাছ মেলি আনুষ্ঠানিকভাৱে মাছ উৎপাদনৰ কাৰ্যসূচী শুভ উদ্বোধন কৰে। অনুষ্ঠানত লাহিং জিলা পৰিষদ সদস্য ৰাজেন গগৈৰ লগতে স্থানীয় বহু যুৱক উপস্থিত থাকে। বিধায়ক কুৰ্মীয়ে নিজৰ বক্তব্যত এনে উদ্যমৰ প্ৰশংসা কৰি কৈছিল, “আজি নতুন প্ৰজন্মৰ নিবনুৱা যুৱক-যুৱতীসকল যদি এনে কৰ্মৰ প্ৰতি আকৃষ্ট হয়, তেন্তে অসমৰ অৰ্থনীতি আৰু সমাজ দুয়োটাই সবল হব।” উল্লেখ্য যে, তেওঁৰ এই পদক্ষেপে নতুন প্ৰজন্মৰ শিক্ষিত নিবনুৱা যুৱসমাজক মৎস্য উৎপাদন তথা ক্ষুদ্ৰ উদ্যোগত আগ্ৰহী কৰি তুলিব বুলি প্ৰকাশজ্যোতি গগৈয়ে আশা প্ৰকাশ কৰে।

# পথ দুৰ্ঘটনাত নিহত দুমুনিচকীৰ ছাত্ৰ ৰিকৰাজৰ জানাজা সম্পন্ন

**ই-সংবাদ, দুমুনিচকী ১২ জুন :** বাইহাটা চাৰিআলিত পথ দুৰ্ঘটনা নিহত হোৱা ছিপাঝাৰ আৰক্ষী থানা অন্তৰ্গত দুমুনিচকীৰ মেধাৱী ছাত্ৰ ৰিকৰাজ হুছেইনৰ আজি এক শোকাকুল পৰিবেশত জানজা নামাজ সম্পন্ন হয়। জানিব পৰা মতে, কালি সন্ধিয়া ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰে গৃহাভিমুখে গৈ থাকোতে বাইহাটা চাৰিআলি সমীপৰ গোগত এই পথ দুৰ্ঘটনা সংঘটিত হয়। বাইহাটা চাৰিআলিৰ ৰামানুজ একাডেমীৰ বিজ্ঞান শাখাৰ ছাত্ৰ আছিল দুয়োজন। নিহত ছাত্ৰ গৰাকী ৰিকৰাজ হুচেইন ওৰফে বিতু আৰু আহত ছাত্ৰগৰাকীৰ নাম সুদীপ্ত ডেকা। টিউচনৰ পৰা দুয়োগৰাকী ছাত্ৰ এ এছ ২৫ জেদ ২৮০৫ নম্বৰ বাইকৰে বাইহাটা চাৰিআলিৰ পৰা উক্ত ৰাষ্ট্ৰীয় ঘাইপথৰে গৈ থকা অৱস্থাত বিপৰীত দিশৰ পৰা অহা এ এছ ২৫ এফচি ৪৫৩৮ নম্বৰৰ ট্ৰাক খনৰ সৈতে সংঘটিত হয় এই দুৰ্ঘটনা। ইফালে, দুমুনিচকীৰ জাকিৰ হুছেইন আৰু ৰেজিনা বেগমৰ একমাত্ৰ সন্তান ৰিকৰাজ হুচেইনে দুমুনিচকী ইংলিছ স্কুলৰপৰা পাঁচটা বিষয়ত লেটাৰ মাৰ্ক লৈ হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হৈ ৰামানুজ একাডেমীৰ বিজ্ঞান শাখাৰ ছাত্ৰ দ্বিতীয় বৰ্ষত অধ্যয়ন কৰি আছিল। মেধাবী ছাত্ৰগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাত এক কালিৰে পৰা শোকাকুল পৰিবেশে বিৰাজ কৰে দুমুনিচকীত। ছাত্ৰগৰাকী মৃত্যুত ছিপাঝাৰৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, দুমুনিচকী দৰং দুৱাৰ ক্লাব, দুমুনিচকী ইংলিছ স্কুল শিক্ষক-শিক্ষয়ত্ৰী তথা পৰিচালনা সমিতি, পশ্চিম দৰং উন্নয়ন পৰিষদ, 'পোহৰ' এন জি অ', দৰঙী গ্ৰামীণ বিকাশ সমিতিৰ লগতে স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোকপ্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# চাপৰৰ শালকোচাত বিকশিত কৃষি সংকল্প অভিযানৰ সামৰণি

**ই-সংবাদ, চাপৰ, ১২ জুন:** ধুবুৰী জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়, ধুবুৰী,অসম কৃষি বিশ্ববিদ্যালয় যোৰহাট,কৃষি অনুসন্ধান পৰিষদ,কৃষি বিভাগ অসম,পশু পালন আৰু পশু চিকিৎসা বিভাগ অসম, দুগ্ধ উন্নয়ন বিভাগ অসম, মীন বিভাগ অসম, অসম ৰাজ্যিক জীৱিকা অভিযান অসমৰ উদ্যোগত ধুবুৰী জিলাৰ শালকোচাৰ পুখুৰীপাৰা ৰাস মন্দিৰ প্ৰাংগনত বিকশিত কৃষি সংকল্প অভিযানৰ সফল সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। য'ত চৰকাৰৰ বিভিন্ন আঁচনি সমূহ পুখুৰীপাৰা গাওঁ পঞ্চায়তত কৃষক ৰাইজৰ লগত বিকশিত কৃষি সংকল্প অভিযানৰ বিষয়ে আলোচনা কৰে আৰু চৰকাৰৰ বিভিন্ন উন্নতি কামী আঁচনি সমূহ লগতে কৃষি বিভাগৰ আধুনিক কৃষি পদ্ধতি আৰু পশু পালনৰ পদ্ধতি সমূহ কৃষক আৰু স্থানীয় ৰাইজৰ সন্মুখত দাঙি ধৰে। যদি কোনো কৃষক তথা স্থানীয় ৰাইজে আগবাঢ়ি আহে তেন্তে উৎপাদনৰ ক্ষেত্ৰত বহু পৰিমানে লাভান্বিত হব বুলি জানিবলৈ দিয়ে বিষয়া সকলে।বিগত ২৯ মে তাৰিখৰ পৰা চাপৰ-শালকোচা উন্নয়ন খণ্ডৰ অন্তৰ্গত বিভিন্ন পঞ্চায়ত সমূহৰ প্ৰায় ১৬ হেজাৰ কৃষকৰ লগত মত বিনিময় কৰি বিকশিত কৃষি সংকল্প অভিযানৰ লাভা লাভৰ বিষয়ে কৃষক ৰাইজৰ লগত বিতংভাৱে আলোচনা কৰে।উক্ত সামৰণি অনুষ্ঠানত উপস্থিত থাকে ধুবুৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়া দ্বীব্যৰিশি ভট্টাচাৰ্য, ভাস্কৰ বৰুৱা, নৱনীতা নাথ, ড: ছামচুন নেহেৰ,খণ্ড পশু চিকিৎসক ডাঃ ধ্যানজ্যোতি শৰ্মা, জিলা কৃষি বিষয়া মফিদুল ইছলাম আৰু স্থানীয় ৰাইজৰ লগতে চাপৰ মাল্টি-মিডিয়া প্ৰেছ ক্লাৱ চাপৰৰ কেইবাগৰাকীও সাংবাদিক উপস্থিত থাকে।

## তদন্তৰ বাবে যুৱকক কৰায়ত্ত কৰি ৰাইজে গতালে আৰক্ষীক


# ৬ বছৰে সন্ধান নাই ঢেকীয়াজুলিৰ পলাশবস্তি গাঁৱৰ মহিলাৰ

**ই-সংবাদ, ঢেকীয়াজুলি, ১২ জুন :** এগৰাকী বিবাহিতা মহিলাক নানান প্ৰলোভন দি বহিঃৰাজ্যলৈ নিয়াৰ গোচৰত ননকে পলাশবস্তি গাঁৱৰ পৰা ৰফিকুল ইছলাম নামৰ এগৰাকী যুৱকক কৰায়ত্ত কৰি আজি ঢেকীয়াজুলি আৰক্ষীক চমজাই দিয়ে ৰাইজে। উল্লেখ্য যে শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ ননকে পলাশবস্তি গাঁৱৰ এগৰাকী বিবাহিতা মহিলা তথা এটা সন্তানৰ মাতৃক ২০২০ চনতে প্ৰলোভনেৰে কৌশলেৰে বহিঃৰাজ্যলৈ নিয়াৰ অভিযোগ ৰফিকুল ইছলাম নামৰ যুৱকজনৰ বিৰুদ্ধে। যুৱকজনে নিয়াৰ পিছৰে পৰা নিৰুদ্দেশ হৈছিল এক সন্তানৰ মাতৃ তথা মহিলাগৰাকী। ইয়াৰ পিছতে ন্যায় বিচাৰি ঢেকীয়াজুলি আৰক্ষীৰ কাষ চাপিছিল নিৰুদ্দেশ হোৱা মহিলাগৰাকীৰ পৰিয়ালৰ লোক। পৰিয়ালৰ লোকে ঢেকীয়াজুলি আৰক্ষী থানাত দাখিল কৰা উক্ত এজাহাৰৰ পিছৰে পৰা যুৱকজনৰ সন্ধান বিচাৰিছিল ঢেকীয়াজুলি আৰক্ষীয়ে। তেতিয়াৰেপৰা যুৱকজনক বিচাৰি পোৱা নাছিল আৰক্ষীয়ে। দুদিন পূৰ্বে যুৱকজন নিজৰ ঘৰত অহাৰ খবৰ পাই আজি ৰাইজে ৰফিকুল ইছলাম নামৰ যুৱকজনক কৰায়ত্ত কৰি ঢেকীয়াজুলি আৰক্ষীক চমজাই দিয়াৰ লগতে নিৰুদ্দেশ হোৱা মহিলাগৰাকীক উদ্ধাৰৰ দাবী জনায়। সমান্তৰালভাৱে কোনো সদাশয় লোকে যদি মহিলাগৰাকীৰ সন্ধান পায় তেন্তে ঢেকীয়াজুলি আৰক্ষী থানাত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে মহিলাগৰাকীৰ মাতৃগৃহৰ পৰিয়ালৰ লোকে।

## বিজুতিৰ বাবে চলিত বৰ্ষতে বাতিল কৰা হৈছিল একাধিক বিমানৰ যাত্ৰা

# কাৰিকৰী সমস্যাৰে ভাৰাক্ৰান্ত আছিল বয়িং ৭৮৭-৮ ড্ৰিমলাইনাৰ

**আহমেদাবাদ, ১২ জুন:** চৰ্দাৰ বল্লভভাই পেটেল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা উৰণৰ কিছু সময়ৰ পাছতে আজি আহমেদাবাদৰ পৰা লণ্ডন অভিমুখী এয়াৰ ইণ্ডিয়াৰ এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হয়। বয়িং ৭৮৭-৮ ড্ৰিমলাইনাৰ বিমানখনত ২৩০ জন যাত্ৰী আৰু ১২ জন ক্ৰু সদস্য আছিল। অৰ্থাত মুঠ ২৪২ জন লোক বিমানখনত আছিল। এআই-১৭১ নামৰ বিমানখন লণ্ডন গেটৱিক অভিমুখে ২৩ নং ৰাণৱেৰ পৰা ১:৩৯ বজাত ৰাওনা হৈছিল। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ৰ মতে, বিমানখনে উৰণৰ লগে লগে মে'ডে' কল জাৰি কৰিছিল যদিও বিমান পৰিবহণ নিয়ন্ত্ৰণে যোগাযোগৰ কোনো সঁহাৰি নিদিলে। বিমানবন্দৰৰ পৰিধিৰ ঠিক বাহিৰত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয় আৰু ধ্বংসাৱশেষৰ পৰা ডাঠ ক'লা ধোঁৱাই অঞ্চলটো আৱৰি ধৰে। উল্লেখ্য যে, বয়িং ৭৮৭-৮ ড্ৰিমলাইনাৰ মডেলটোৱে যোৱা কিছু বছৰত পুনৰাবৃত্তিমূলক কাৰিকৰী নিৰীক্ষণৰ সন্মুখীন হৈছে। সংবাদ মাধ্যমৰ পূৰ্বৰ প্ৰতিবেদনত হাইড্ৰলিক লিক আৰু ফ্লেপৰ বিজুতিৰ বাবে পঞ্জীয়ন ক'ড এনৱ৮১৯এএন থকা ড্ৰিমলাইনাৰ এখন বাৰে বাৰে ডাইভাৰ্চন হোৱাৰ কথা নথিভুক্ত কৰা হৈছে, যাৰ ফলত চলিত বৰ্ষৰ আৰম্ভণিতে মাত্ৰ ২৫ দিনৰ ভিতৰত একাধিক বিমান বাতিল কৰা হৈছিল। ইয়াৰ উপৰিও বয়িঙৰ অভিযন্তা তথা হুইচেল ব্ল'ৱাৰ ছেম ছালেহপুৰে ইয়াৰ পুৰ্বে দ্য নিউয়ৰ্ক টাইমছ আৰু চিএনএনৰ দৰে আমেৰিকাৰ প্ৰধান সংবাদ মাধ্যমৰ জৰিয়তে সতৰ্কতা উত্থাপন কৰিছিল আৰু অভিযোগ কৰিছিল যে কোম্পানীটোৱে ৭৭৭ আৰু ৭৮৭ ড্ৰিমলাইনাৰ দুয়োটা মডেলতে উৎপাদনৰ চৰ্টকাট গ্ৰহণ কৰিছিল। ছালেহপুৰে সকীয়াই দিয়ে যে এই বিমানসমূহৰ বয়স বৃদ্ধিৰ লগে লগে এনে আপোচৰ ফলত বিপৰ্যয়জনক বিপদৰ সৃষ্টি হ'ব পাৰে। আজিৰ দুৰ্ঘটনাৰ কাৰণৰ তদন্ত অব্যাহত আছে। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়, বয়িং আৰু এয়াৰ ইণ্ডিয়াই বিমানখনৰ তাৎক্ষণিক কাৰিকৰী বিফলতা আৰু বিমানখনৰ ৰক্ষণাবেক্ষণৰ ইতিহাস দুয়োটাৰে বিশদ তদন্ত কৰাৰ সম্ভাৱনা আছে।



দুৰ্ঘটনাগ্ৰস্ত এয়াৰ ইণ্ডিয়াৰ বিমানত সন্তানসহ শেষ ছেলফি চিকিৎসক দম্পতীৰ, ফটো, বৃহস্পতিবাৰ

## অভিশপ্ত বিমানত হেৰাই গ'ল ৩ সন্তানসহ চিকিৎসক দম্পতী

**আহমেদাবাদ, ১২ জুন:** আহমেদাবাদ-লণ্ডন অভিমুখী অভিশপ্ত এয়াৰ ইণ্ডিয়াৰ এআই ১৭১ বিমানে বিমানখনত থকা ৰাজস্থানৰ এটা পৰিয়ালৰ অন্তিম মুহূৰ্ত বন্দী হৈছে এখন কৰুণ চেলফিত। যিখন বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ বিমানখনত থকা ২৪২ জন লোকৰ মৃত্যু হয়। উদয়পুৰৰ পেচিফিক হাস্পতালৰ চাকৰি এৰি ডাঃ কামি ব্যাস স্বামী ডাঃ প্ৰতীক যোশী আৰু তেওঁলোকৰ সন্তান— আঠ বছৰীয়া মিৰায়া আৰু পাঁচ বছৰীয়া যমজ সন্তান নকুল আৰু প্ৰদ্যুতৰ সৈতে লণ্ডনলৈ স্থানান্তৰিত হৈছিল। ডাঃ যোশীয়ে উৰণৰ মাজভাগত তোলা ফটোখনত পৰিয়ালটোৰ আটাইকেইজন সদস্যই হাঁহি থকা দেখা গৈছে।

## ডিএনএ পৰীক্ষাৰ পাছতহে ওলাব নিহত লোকৰ প্ৰকৃত সংখ্যা

**আহমেদাবাদ, ১২ জুন:** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আহমেদাবাদৰ এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি কয় যে এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত মৃত্যুৰ চূড়ান্ত হিচাপ ডিএনএ পৰীক্ষাৰ ফলাফলৰ পাছতহে দিয়া হ'ব। তেওঁ কয় যে বিমানখনত জ্বলি থকা ইন্ধনৰ বাবে তাপমাত্ৰা ইমানেই উচ্চ পৰ্যায়ত বৃদ্ধি পাইছিল যে কোনো ব্যক্তিক বচাবলৈ সুযোগ পোৱা নগ'ল।

## এয়াৰ ইণ্ডিয়া এআই ১৭১

# প্ৰথমবাৰৰ বাবে দুৰ্ঘটনাত পতিত বয়িং ৭৮৭ ড্ৰিমলাইনাৰ



**কলকাতা, ১২ জুন:** এয়াৰ ইণ্ডিয়া এআই ১৭১ বিমানেই প্ৰথমবাৰৰ বাবে দুৰ্ঘটনাগ্ৰস্ত হোৱা বয়িং ৭৮৭ ড্ৰিমলাইনাৰ। আহমেদাবাদৰ পৰা লণ্ডনলৈ চলি থকা বিমানখন চৰ্দাৰ বল্লভভাই পেটেল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা উৰণৰ কিছু সময়ৰ পিছতে দুৰ্ঘটনাগ্ৰস্ত হয়। বিমানখনত মুঠ ২৪২ জন লোক আছিল। আহমেদাবাদ বিমানবন্দৰৰ পৰা দিনৰ ১.১৭ বজাত যাত্ৰা আৰম্ভ হোৱা বিমানখনে সন্ধিয়া ৬.০৯ বজাত লণ্ডনত উপস্থিত হোৱাৰ কথা আছিল। কিন্তু টেক অফৰ কিছু মুহূৰ্তৰ পিছতে তললৈ নামি বিমানবন্দৰৰ ওচৰৰ ঘন জনবসতিপূৰ্ণ চুবুৰী এটাত বিমানখনে খুন্দা মাৰে। খবৰ অনুসৰি বয়িং ৭৮৭ ড্ৰিমলাইনাৰৰ বয়স ১১ বছৰ আৰু ইয়াত ২৪৮ৰ পৰা ৩৩০জন যাত্ৰী কঢ়িয়াই নিব পৰা ক্ষমতা আছিল। এয়াৰ ইণ্ডিয়া এআই১৭১ ভিটি-এএনবি হিচাপে পঞ্জীয়ন কৰা হৈছিল আৰু সৰ্বোচ্চ উচ্চতা ৬২৫ ফুট পোৱাৰ পাছত প্ৰতি মিনিটত -৪৭৫ ফুট উলম্ব গতিৰে নামিছিল। এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাৰ তদন্ত কৰিব এএআইবি (এয়াৰক্ৰাফ্ট এক্সিডেণ্ট ইনভেষ্টিগেশ্যন ব্যুৰো)ৰ। বিমানখনত ১৬৯ জন ভাৰতীয় নাগৰিক, ৫৩ জন ব্ৰিটিছ নাগৰিক, ৭ জন পৰ্তুগীজ নাগৰিক আৰু ১ জন কানাডিয়ান নাগৰিক আছিল। এয়াৰ ইণ্ডিয়াই ছ'চিয়েল মিডিয়া পোষ্টত দিয়া তথ্য অনুসৰি যাত্ৰীসকলৰ বাবে ১৮০০ ৫৬৯১ ৪৪৪ নম্বৰ হেল্পলাইনো আৰম্ভ কৰা হৈছে। দুৰ্ঘটনাটো কেনেদৰে সংঘটিত হয় সেই বিষয়ে জানিবলৈ তদন্ত চলোৱা হৈছে আৰু এয়াৰ ইণ্ডিয়াই তদন্তকাৰী বিষয়াসকলৰ সৈতে সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে দুৰ্ঘটনা সংঘটিত হোৱাৰ ১০ মিনিটৰ ভিতৰতে কেন্দ্ৰীয় চৰকাৰক খবৰ দিয়া হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও তেওঁৰ সৈতে ক্ষীপ্ৰতাৰে যোগাযোগ কৰি গুজৰাটৰ মুখ্যমন্ত্ৰী, ৰাজ্যিক গৃহমন্ত্ৰী আৰু অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডুৰ সৈতে জৰুৰী আলোচনা কৰি তৎকালীনভাৱে উদ্ধাৰ অভিযান আৰম্ভ কৰে।

## বিমান দুৰ্ঘটনা: ভাৰতক সহায় কৰিবলৈ সাজু আমেৰিকা

**ৱাশ্বিংটন ডিচি ১২ জুন:** বৃহস্পতিবাৰে ভাৰতত সংঘটিত হোৱা এই মৰ্মান্তিক বিমান দুৰ্ঘটনাটোৰ বিষয়ে কয় আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে, এই কাণ্ডৰ কাৰণ কি আছিল সেই বিষয়ে জানিবলৈ তদন্ত চলি থকাৰ সময়তে আমেৰিকাই সমৰ্থন আগবঢ়ায়। ৱাশ্বিংটন ডিচিত এখন সংবাদমেলত ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, "বিমান দুৰ্ঘটনাটো ভয়ংকৰ আছিল। মই ইতিমধ্যে তেওঁলোকক কৈছো যে আমি যি পাৰো সহায় কৰিম। ভাৰত এখন ডাঙৰ দেশ, এখন শক্তিশালী দেশ, আৰু তেওঁলোকে ইয়াক চম্ভালিব পাৰিব, মই নিশ্চিত, কিন্তু মই তেওঁলোকক কৈছো যে আমেৰিকাই যি কৰিব পাৰে কৰিবলৈ সাজু।" উল্লেখ্য, আজি বিয়লি আহমেদাবাদ বিমানবন্দৰৰ পৰা উৰণৰ লগে লগে ২৪২ জন লোক কঢ়িয়াই অনা এয়াৰ ইণ্ডিয়া বয়িং ৭৮৭-৮ ড্ৰিমলাইনাৰ বিমান দুৰ্ঘটনাগ্ৰস্ত হয়, যিটো ইতিহাসৰ অন্যতম ভয়াৱহ বিমান ট্ৰেজেডী।

# আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত অনন্য অভিলেখ অৰ্জন পেট কামিন্সৰ

**লণ্ডন, ১২ জুনঃ** অষ্ট্ৰেলিয়াৰ অধিনায়ক পেট কামিন্সে পুনৰ প্ৰমাণ কৰিলে যে তেওঁ নেতৃত্ব দিয়া দলটোৱে কিয় পৰাজয় মানি ল'ব নাজানে। পিছ পৰি থকাৰ সময়তো ঘূৰি যোৱাৰ অদম্য ইচ্ছা যেন তেওঁ প্ৰতিটো মুহূৰ্ততে প্ৰদৰ্শন কৰে। এইবাৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ অধিনায়কগৰাকীয়ে এককভাৱে মাত্ৰ ২৮ ৰানত ৬টা উইকেট দখল কৰি প্ৰটিয়া ব্ৰিগেডক বিধ্বস্ত কৰি এক অনন্য নজিৰ গঢ়ে। দ্বিতীয় দিনৰ আৰম্ভণিতে দক্ষিণ আফ্ৰিকাক এক গুৰুত্বপূৰ্ণ অংশীদাৰিত্বৰ প্ৰয়োজন হৈছিল যদিও কামিন্সৰ অগ্নিময় বলিঙে সেই সপোন ধূলিস্যাৎ কৰে। প্ৰথম দিনাই এটা উইকেট দখল কৰাৰ পাছত দ্বিতীয় দিনৰ আৰম্ভণিতে প্ৰটিয়াছৰ অধিনায়ক টেম্বা বাভুমাক মাত্ৰ ৩৬ ৰানত আউট কৰে। ইয়াৰ উপৰিও কামিন্সে ডেভিড বেডিংহাম, কাইল ভেৰিন, মাৰ্কো জান্সেন আৰু কাগিছ' ৰাবাডাৰ দৰে



গুৰুত্বপূৰ্ণ উইকেট দখল কৰে। ইয়াৰ লগে লগে তেওঁ টেষ্ট ক্ৰিকেটত ৩০০ উইকেটৰ মাইলৰ খুঁটিত উপনীত হয়, যিটো অধিনায়ক হিচাপে লৰ্ডছত এটা ইনিংছত সৰ্বাধিক উইকেট লোৱাৰ অভিলেখো। কামিন্সে কেৱল ৩০০ উইকেট দখল কৰাই নহয়, লৰ্ডছত আন এক গৌৰৱময় অভিলেখো গঢ়ি তোলে। ক্ৰিকেট ইতিহাসৰ কোনো অধিনায়কে আইচিচি প্ৰতিযোগিতাৰ ফাইনেলত পাঁচ উইকেট দখল কৰাৰ কৃতিত্ব অৰ্জন কৰিব পৰা নাই। কিন্তু কামিন্সে সেই অকল্পনীয় অভিলেখ ভংগ কৰি নতুন ইতিহাস ৰচনা কৰি পাঁচটা নহয়, মুঠ ৬টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে বাহৰেইনৰ অধিনায়ক ছাৰফৰাজ আলীয়ে আইচিচি টুৰ্ণামেণ্টৰ ফাইনেলত এটা ইনিংছত সৰ্বাধিক চাৰিটা উইকেট দখল কৰাৰ অভিলেখ গঢ়িছিল। ইয়াৰ উপৰিও ১৯৯৩ চনত উইলছ ট্ৰফীৰ ফাইনেলত পাকিস্তানৰ অধিনায়ক ৱাছিম আক্ৰমেও চাৰিটা উইকেট দখল কৰিছিল।



অষ্ট্ৰেলিয়া বনাম দক্ষিণ আফ্ৰিকাৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত হতাশ হৈ পেভিলিয়নমুখী পেট কামিন্স

## আৰচিবিৰ বিজয় উদযাপনত পদপিষ্ট কাণ্ড! দেশজুৰি তীব্ৰ চাঞ্চল্য

# নিখিলসহ আৰ চি বিৰ ৪ বিষয়াক অন্তৰ্বৰ্তীকালীন জামিন কৰ্টৰ

**বাংগালুৰু, ১২ জুনঃ** আইপিএলৰ জয়ৰ বিশাল উদযাপনৰ ফলত কি কৰুণ পৰিণতি হ'ব পাৰে সেয়া হয়তো কল্পনাও কৰিব পৰা নাছিল ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু (আৰ চি বি) কৰ্তৃপক্ষই। উৎসৱৰ সময়ত চিন্নাস্বামী ষ্টেডিয়ামৰ বাহিৰত ১১ জন লোকৰ মৃত্যু হোৱাৰ পিছত অৱশেষত সাময়িক সকাহ লাভ কৰিছে ফ্ৰেঞ্চাইজিটোৱে। এই ঘটনাত গ্ৰেপ্তাৰ হোৱা ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ চাৰিজন বিষয়াক কৰ্ণাটক উচ্চ ন্যায়ালয়ে অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিছে। এই দুৰ্ঘটনাৰ পিছত আৰক্ষীয়ে আৰচিবিৰ মাৰ্কেটিং হেড নিখিল সোছালেকে ধৰি মুঠ চাৰিজন শীৰ্ষ কাৰ্যবাহীক গ্ৰেপ্তাৰ কৰিছিল। শেহতীয়াকৈ কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এছ আৰ কৃষ্ণ কুমাৰে তেওঁলোকক অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিছে। অৱশ্যে তেওঁলোকৰ পাছপ'ৰ্ট আৰক্ষীৰ ওচৰত জমা দিব লাগিব যাতে তেওঁলোকে দেশ এৰি যাব নোৱাৰে। তদুপৰি আৰক্ষীয়ে যেতিয়াই তদন্তৰ বাবে ফোন কৰে তেতিয়াই হাজিৰ হ'ব লাগিব বুলিও চৰ্ত জাৰি কৰা হৈছে। অধিবক্তা সন্দেশ চৌতাই আদালতত জোৰ দি কয় যে প্ৰাৰম্ভিক এফ আই আৰত কোনো নিৰ্দিষ্ট ব্যক্তিৰ বিৰুদ্ধে কোনো নিৰ্দিষ্ট অভিযোগ দাখিল কৰা হোৱা নাছিল। তেওঁ এই প্ৰশ্ন উত্থাপন কৰে যে আৰক্ষীয়ে এই চাৰিজনক কেনেকৈ গ্ৰেপ্তাৰ কৰিব পাৰে। ইয়াৰ উত্তৰত ৰাজ্যখনৰ মহাধিবক্তা শশী কিৰণ শ্বেট্টীয়ে আদালতত কয় যে আৰ চি বিয়ে এই ৰোড শ্ব'ৰ বাবে কোনো আনুষ্ঠানিক অনুমতি লোৱা নাছিল। দলটোৱে কেৱল ছ'চিয়েল মিডিয়াতহে এই উৎসৱৰ কথা ঘোষণা কৰিছিল। চৰকাৰক কেৱল মহোৎসৱত উপস্থিত থাকিবলৈ নিমন্ত্ৰণ কৰা হৈছিল যদিও প্ৰয়োজনীয় অনুমতি লাভ কৰা হোৱা নাছিল। সেয়ে এই দুৰ্ঘটনাৰ দায়িত্ব আৰচিবিয়ে ল'ব লাগিব বুলি দাবী জনায়। শশী কিৰণ শেট্টীয়ে অভিযোগ কৰে যে নিখিলে সামাজিকভাৱে পলাবলৈ চেষ্টা কৰিছিল আৰু তেতিয়াই আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিছিল। ন্যায়াধীশগৰাকীয়ে তেওঁৰ পৰ্যবেক্ষণত লক্ষ্য কৰে যে সংঘটিত হোৱা দুৰ্ঘটনাটোৰ দায়িত্ব কেৱল কেইজনমান ব্যক্তিৰ ওপৰত জাপি দিব নোৱাৰি, বৰঞ্চ বহুতৰে ওপৰত জাপি দিব পাৰি। সেয়ে তদন্ত সম্পূৰ্ণ নোহোৱালৈকে এই চাৰিজন বিষয়াক অন্তৰ্বৰ্তীকালীন জামিন মঞ্জুৰ কৰে আদালতে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি